# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী




সম্পাদক ঃ
দিগন্ত শৰ্মা

2001-02

## সম্পাদনা সমিতি

**সভাপতি ঃ**
অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ

**তত্বাৱধায়ক ঃ**
প্ৰসন্ন কুমাৰ নাথ

**সম্পাদক ঃ**
দিগন্ত শৰ্মা

**সদস্য ঃ**
অধ্যাপক মহেন্দ্ৰ কটকী
অধ্যাপক চন্দ্ৰ চৌধুৰী
অধ্যাপক ড° ৰামচন্দ্ৰ ডেকা
অধ্যাপক দুলেন্দ্ৰ নাথ
দীপক কুমাৰ নাথ
বলোৰাম নাথ
বিমল জ্যোতি নাথ
সংগীতা ৰাণী কাশ্যপ
প্ৰণীতা নাথ

**বেটুপাত পৰিকল্পনা ঃ**
সম্পাদক

**ৰেখাঙ্কণ ঃ**
ধীৰাজ কুমাৰ চহৰীয়া

**ছপা ঃ**
মাল্টি গ্ৰাফিক্‌চ
এল. এন. বি. ৰোড, মঙলদৈ
ফোন ঃ ২২৫২৭৪

ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দ্বাৰা প্ৰকাশিত




## অশ্ৰু-অঞ্জলি

**বিগত বছৰটোত**
**আমাৰ মাজৰ পৰা আঁতৰি যোৱা সকলৰ**
**পৱিত্ৰ স্মৃতিত যাঁচিলো**
**আমাৰ অশ্ৰু-অঞ্জলি।**

**- সম্পাদক**



# সম্পাদকৰ একলম

জয় জয়তে পৰম পিতা পৰমেশ্বৰ, বিশ্বনিয়ন্ত্ৰা অদৃশ্যজনৰ পদযুগলত শতকোটি প্ৰণিপাত জনাইছো আৰু আপোনালোক সুধী সমাজলৈ যাচিছোঁ সাদৰ সম্ভাষণ।

যি সকল মহান ব্যক্তিৰ প্ৰচেষ্টা, ত্যাগ, দান-বৰঙণি আৰু অক্লান্ত শ্ৰমৰ বিনিময়ত পশ্চিম মণ্ডলদৈ অঞ্চলৰ একমাত্ৰ শিক্ষানুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয়ে প্ৰাণ পাই উঠিল সেইবোৰ মহান ব্যক্তিৰ চৰণত মোৰ শ্ৰদ্ধা নিবেদিছোঁ আৰু দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ সৈনিক শ্বহীদ, আৰু জ্ঞাত অজ্ঞাত সহস্ৰ জনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ইয়াৰ লগে লগে পৃথক পৃথক ভাবে মটৰ দুৰ্ঘটনাত নিহত হোৱা বন্ধুদ্বয় ˚দ্বীপেন নাথ আৰু ˚মিনহাজুল হকৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি মোৰ ক্ষুদ্ৰ সম্পাদকীয়ৰ পাতনি মেলিছোঁ।

বহুতৰ মনতে হয়তো কেতিয়াবা কিবা কিবি হেপাহবোৰে বাহ বান্ধে। ময়ো তাৰ ব্যতিক্ৰম নহয়। মোৰ মনটো এটা হেপাহে হেন্দোলনি তুলিছিল, সেয়া হ'ল- মহাবিদ্যালয়ৰ মুখপত্ৰখনৰ সম্পাদক হোৱাৰ। মনৰ হেপাহ চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে "আলোচনী সম্পাদক" হিচাপে থিয় দিছিলো সাধাৰণ নিৰ্বাচনত। বন্ধু বান্ধৱীৰ বিপুল সহাঁৰি কিম্বা প্ৰেৰণাই মোৰ সহায়ক হ'ল। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু বৰ্গই এই অভাজনক অটল বিশ্বাস আৰু সহানুভূতিৰে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী কৰাই মহাবিদ্যালয়ত সেৱা আগবঢ়োৱাৰ সুযোগকন দিলে তথা মনৰ হেপাহ পূৰণ কৰাৰ সুবিধা দিলে। এই ছেগতে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলোঁ।

সাহিত্য হ'ল জাতিৰ দাপোন। দাপোনত নিজৰ প্ৰতিবিম্ব প্ৰতিফলিত হোৱাৰ দৰে সাহিত্যতো এটা জাতিৰ কৃষ্টি, সংস্কৃতি, সভ্যতা আদি প্ৰতিফলিত হয়। গতিকে সাহিত্যই এটা জাতিক মানৱ সমাজত প্ৰতিনিধিত্ব কৰে। সাহিত্য এটা চিৰ অবিচ্ছিন্ন ধাৰা।

অসমৰ আকাশ আজি সন্দেহৰ কলীয়া ডাৱৰে ছানি ধৰিছে। ৰাজনীতিত শোষণ দুৰ্নীতিয়ে ৰৰপীৰা পাৰি লৈছে। ব্যক্তি আজি ব্যক্তি কেন্দ্ৰিক হৈ পৰিছে। অসমৰ শিক্ষা ব্যৱস্থাই ক্ৰমাত নিবনুৱা সমস্যাহে বঢ়াইছে। শিক্ষা ব্যৱস্থাৰে শিক্ষিত হৈ পেট পূৰাবৰ বাবে ন্যূনতম প্ৰয়োজনীয় অন্নমুঠিৰ অভাৱ দূৰ কৰাত ব্যৰ্থ হোৱা দেখা যায়। মহাবিদ্যালয়, বিশ্ববিদ্যালয়বোৰ নিবনুৱা উৎপাদনৰ কাৰখানা স্বৰূপ হৈ পৰিছে। বতাহত আজি বন্দুক বাৰুদৰ গোন্ধ, মানুহৰ কেঁচা তেজৰ গোন্ধে বকুল-শেৱালী ফুলৰ গোন্ধ কাঢ়িছে। এতিয়া এনে এক অবাঞ্চিত সত্যৰে সময়। গতিকে নতুন প্ৰজন্ম আজি কোন দিশে ধাবিত হ'ব। ই চিন্তাৰ বিষয়। আজিৰ নাৰীৰ গৰ্ভত গৰ্ভস্থ শিশুটিয়ে ফুলৰ সুঘ্ৰাণ, চৰাইৰ মাত আদিৰ মাজত ডুব গৈ কল্পনাৰ ৰঙীন আৱেশেৰে মন ৰঙাই তুলিব পাৰিবনে? এনেবোৰ কথাকে আজি আমি চিন্তা কৰিবৰ হ'ল।

**মহাবিদ্যালয় সপ্তাহ ঃ**

কাৰ্যভাৰ লোৱাৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহত প্ৰাচীৰ পত্ৰিকা এখনি উন্মোচন কৰা হয়। তাৰোপৰি গল্প, কবিতা আৰু চিঠি লিখাকে ধৰি কেইটামান বিষয়ক লৈ সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰাচীৰ প্ৰত্ৰিকাখন উন্মোচন কৰি আৰু সাহিত্য প্ৰতিযোগিতাখন পৰিচালনা কৰি মোক কৃতাৰ্থ কৰা শ্ৰদ্ধাৰ চাৰ সকললৈ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা যাচিলোঁ। আলোচনী বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত কৰা এই ধৰণৰ প্ৰতিযোগিতাই নিশ্চয় ছাত্ৰ-ছাত্ৰীক সাহিত্য সাধনাৰ ওচৰ চপাইছে আৰু বৌদ্ধিক বিকাশত সহায়ক হৈছে বুলি ক'ব পাৰি।

**ব্যক্তিগত অনুভৱ ঃ**

আলোচনী এখন সম্পাদনা কৰি উলিওৱাটো একেবাৰে সহজ কথা নহয়। এই ক্ষেত্ৰত যথেষ্ট কষ্ট স্বীকাৰ কৰিব লাগিব, সচেতন হ'ব লাগিব। মুখপত্ৰ প্ৰকাশৰ দৰে অৰ্থবহ কাম তেনেই তাকৰীয়া পূঁজিৰে উন্নত মানদণ্ডৰ কৰিব নোৱাৰি। এই কথা প্ৰতিজন ভূক্তভোগীয়েই বুজি পায়। এই পূঁজিটো ভৱিষ্যতে ডাঙৰ কৰাৰ ব্যৱস্থা কৰ্তৃপক্ষই ললেহে আলোচনীখন আৰু অধিক উন্নত হ'ব বুলি আশা কৰিব পাৰি। তাৰোপৰি মুখপত্ৰ প্ৰকাশৰ বাবে ন্যূনতম প্ৰয়োজনীয় লিখনীবোৰৰো অভাৱ অনুভৱ কৰিছো। দুখৰ বিষয় হেজাৰ বাৰশ ছাত্ৰ-ছাত্ৰীৰে ভৰ-পূৰ এই মহাবিদ্যালয়খনিৰ পৰাও দহ/বাৰতা গল্প, ত্ৰিশ/চল্লিশটা কবিতা আৰু কেইটামান প্ৰবন্ধকে ধৰি প্ৰকাশযোগ্য উন্নত মানদণ্ডৰ লিখনীৰ বাচনি কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। বহুত ক্ষেত্ৰত কেৱল ভাবটোহে ৰাখি গোটেই কথাখিনি বাক্যগাঠনি, প্ৰকাশভংগীকেই সলাই দিব লগীয়া হয়। ফলস্বৰূপে সম্পাদনা সমিতিয়ে যথেষ্ট অসুবিধাত পৰে। গতিকে তাকে নকৰি অলপ সচেতন ভাবে লিখা-মেলা কৰিলে ছাত্ৰ-ছাত্ৰীবোৰ নিশ্চয় সফল হ'ব পাৰিব। চিন্তাৰ অপৰিপক্কতা, বিস্তৃত পৰিসৰৰ অধ্যয়নৰ অভাৱ, সহমৰ্মিতাৰ অভাৱ আদিৰ ফলতেই বহু প্ৰতিভাৰ অপচয় হৈছে। আশা কৰিছো এই সকলে আলোচনীত লিখনী প্ৰকাশতেই নিজৰ দায়িত্ব শেষ বুলি নাভাবি অব্যাহত প্ৰচেষ্টাৰে নিজৰ লিখনীৰ উত্তৰোত্তৰ উন্নতি সাধনা কৰি যাব। আন এটা দুখৰ বিষয় এই যে, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰৰ ইংৰাজী শিতানত লিখনী প্ৰায় নাই বুলিবই পাৰি। এই প্ৰসংগতে আমি ক'ব নোৱাৰোনে ইংৰাজী বিষয়ত আমাৰ ছাত্ৰ-ছাত্ৰীবোৰ দুৰ্বল। তেনেহলে আমি ভাবিব নোৱাৰোনে আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাত কিম্বা সাম্প্ৰতিক ইংৰাজী বিষয়েই হেঙাৰ স্বৰূপ। তাৰোপৰি আলোচনীখন যথা সময়ত উলিয়াব নোৱাৰাৰ মূলতে নিৰ্দ্ধাৰিত পুঁজিৰ পৰা ধন মোকলাই দিয়াৰ ক্ষেত্ৰত দেখা দিয়া বিশৃঙ্খলতাও অন্য এটা কাৰণ। কেতিয়াবা কেতিয়াবা সম্পাদকৰ অজ্ঞাতে কৰ্তৃপক্ষই বিভাগীয় পুঁজিৰ ধন মহাবিদ্যালয়ৰ অন্য কামত খৰচ কৰা দেখা যায়। ফলস্বৰূপে সম্পাদকবোৰে ভৱামতে কাম কৰিব নোৱাৰে। ময়ো তাৰ ব্যতিক্ৰম হব নোৱাৰিলো।

**শৈক্ষিক পৰিবেশ ঃ**

পশ্চিম মঙলদৈ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয়ত ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস দুয়োটা নোহোৱা বাবে দূৰণিৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। তাৰোপৰি শিক্ষা বিভাগৰ ব্যৱহাৰিক সজুলিৰ অভাৱ। ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাৰ অভাৱ। চাইকেল ষ্টেণ্ডৰ অভাৱ। জিৰণি কোঠাৰ অভাৱৰ বাবে ছাত্ৰ-ছাত্ৰীবোৰে পাঠদান চলি থকা সময়ত বাৰাণ্ডাত বহি অনাৱশ্যক কোলাহলৰ সৃষ্টি কৰে। তাৰোপৰি বৰষুণ বতৰত আমাৰ হেজাৰ/বাৰশ ছাত্ৰ-ছাত্ৰীৰ চাইকেলবোৰ বাৰাণ্ডাত উঠাই থ'বলগীয়া হয়। যলত ইটো কোঠাৰ পৰা সিটো কোঠালৈ অহা-যোৱা কৰিব নোৱাৰা অৱস্থা হয়গৈ। আটাইতকৈ ডাঙৰ কথা ১৯৭১ চনতে প্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনত এতিয়াও হিন্দী, সংস্কৃত ,আৰবীকে ধৰি কেতবোৰ বিষয় অন্তৰ্ভূক্ত হোৱা নাই। বিজ্ঞান আৰু বাণিজ্যিক শাখা দুয়োটাৰো পাঠদান ব্যৱস্থা আজিলৈকে গঢ়ি উঠা নাই। কৰ্তৃপক্ষই এই অভাৱবোৰ আঁতৰোৱাৰ ব্যৱস্থা হাতত ললেহে ভৱিষ্যতে মহাবিদ্যালখনে যলে ফুলে জাতিষ্কাৰ হৈ উঠিব বুলি আশা কৰিব পাৰি।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সততে সহায়-সহযোগিতা আগবঢ়াই অহা সম্পাদনা সমিতিৰ সমূহ সদস্য, আপোনালোকলৈ মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। আৰু লগতে যি সকলৰ লিখনীয়ে আলোচনীখন সমৃদ্ধ কৰিলে তেওঁলোকলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু মোৰ কাৰ্যকালত বিভিন্ন কামত দিহা-পৰামৰ্শ দি উৎসাহ যোগাই অহা বন্ধুবৰ্গলৈও কৃতজ্ঞতা থাকিল। বেটুপাত আৰু ৰেখাঙ্কণ কৰি আলোচনীখনৰ সৌন্দৰ্য্য বৰ্ধনত সহায় কৰা ধীৰাজ কুমাৰ চহৰীয়ালৈ কৃতজ্ঞতা যাচিলোঁ। ছপা কেন্দ্ৰ 'মাল্টি গ্ৰাফিকচ'ৰ স্বত্বাধিকাৰী দেৱজিত নাথৰ লগতে সমূহ কৰ্মীবৃন্দলৈয়ো মোৰ আন্তৰিক ধন্যবাদ থাকিল। কুসুম ষ্টুডিঅ'ৰ ফটোগ্ৰাফাৰলৈয়ো কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ।

**সামৰণিত ঃ**

মানুহ জানো কোনোবা দিনা দোষমুক্ত হ'ব পাৰে? নোৱাৰে, কথাতেই কয় মানুহ মাত্ৰেই ভুল হয়। সেয়েহে মোৰো সন্দেহ মই জানো দোষমুক্ত হ'ব পাৰিছো। সেয়া আপোনালোক সুধী সমাজেই বিচাৰ কৰি চাব।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা অবাঞ্চিত ভুল-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত মই ক্ষমা বিচাৰি ছিপাঝাৰ মহাবিদ্যালয়ৰ চিৰ উজ্বল ভৱিষ্যত কামনাৰে সম্পাদকীয়ৰ সামৰণি মাৰিলোঁ।

জয় আই অসম

জয়তু ছিপাঝাৰ মহাবিদ্যালয়।

- দিগন্ত শৰ্মা

# সূচীপত্ৰ

**প্ৰবন্ধ ঃ**


| | | |
|---|---|---|
| বৰ্তমান সময়ত চাৰ্বাক দৰ্শনৰ প্ৰাসংগিকতা | কৃষ্ণ কমল নাথ | ১ |
| দৰঙী হিন্দু-মুছলমানৰ সাংস্কৃতিক সমন্বয় | গিৰীশ নাথ | ৫ |
| সাম্প্ৰতিক কালৰ কবি আৰু কবিতা | বেৱকান্ত নাথ | ১০ |
| মুকাভিনয়ৰ পম খেদি | চিত্তৰঞ্জন শৰ্মা | ১২ |
| বৰ্তমান সময়ত দৰ্শনৰ প্ৰাসংগিকতা - এটি আলোকপাত | অধ্যাপক অনন্ত বৰুৱা | ১৪ |
| ছাত্ৰৰ অস্থিৰতা - ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ | ভাস্কৰ চহৰীয়া | ১৮ |
| মঙলদৈ অঞ্চলত ফকৰা যোজনাৰ ব্যৱহাৰ | গৌতম কুমাৰ বৰুৱা | ২৪ |
| প্ৰশাসনিক স্তৰত দুৰ্নীতি আৰু জন-জীৱনত ইয়াৰ প্ৰভাৱ | পাৰুল ৰবা | ২৬ |


**গল্প ঃ**


| | | |
|---|---|---|
| সেই খিৰিকীখন | বলোৰাম নাথ | ২৯ |
| বিজয়ৰ বাবে | মল্লিকা বড়া | ৩১ |
| মইও যে আৰু .......... | দিগন্ত শৰ্মা | ৩৪ |
| গোপনে থাকিল | ডিংকুমনি হাজৰিকা | ৩৭ |
| তপত অশ্ৰুধাৰা | তপন চন্দ্ৰ কলিতা | ৩৯ |
| ভগ্ন হৃদয় | সুভাষ বড়া | ৪১ |
| সাহস | মিছ মেৰিণা বেগম | ৪৩ |
| এক আতংকৰ দিন | মুনিন্দ্ৰ শৰ্মা | ৪৫ |
| সংশোধন | পাপৰি বৰুৱা | ৪৮ |
| নিয়তিৰ পৰিহাস | দিলীপ কলিতা | ৫০ |
| পৰিবৰ্তন | নৱনিতা দেৱী | ৫১ |
| জীয়া বেদনা | ৰীমা ৰাণী শৰ্মা | ৫৩ |


**কবিতা ঃ**


| | | |
|---|---|---|
| জীৱন সংগ্ৰাম | ৰিংকুমনি শৰ্মা | ৫৫ |
| মহান কৃষক তুমি পথৰুঘাটৰ | হিৰণ্য নাথ | ৫৫ |
| প্ৰতীক্ষা | গিৰিজা বৰুৱা | ৫৬ |
| সময় | পৰেশ ভূঞা | ৫৬ |
| আবেগ | গীতাঞ্জলী চহৰীয়া | ৫৭ |
| সুবাস | গীতুমা কলিতা | ৫৭ |
| তেজিমলা | সোনেশ্বৰ ডেকা | ৫৮ |
| জীৱনৰ অৰ্থ | আব্দুল কাছিম | ৫৮ |
| অজ্ঞেয় | শৈলেন্দ্ৰ কুমাৰ নাথ | ৫৯ |
| এটি সূৰ্যৰ অপেক্ষাত | হেমন্ত বৰুৱা | ৫৯ |
| অপেক্ষা | জ্যোতিষ কুমাৰ নাথ | ৬০ |
| তুমি | পিংকু চহৰীয়া | ৬০ |
| বৰদৈচিলা | অধ্যাপক জয়ন্ত কুঃ হাজৰিকা | ৬১ |
| মন | টুলু দেৱী | ৬১ |
| কবিতা | মৌচুমী ডেকা | ৬১ |

সূচীপত্ৰ


| | | |
|---|---|---|
| মানুহ | *জয়ন্ত শইকীয়া* | ৬২ |
| সান্নিধ্য বিচাৰি | *প্ৰণিতা নাথ* | ৬২ |
| মালিক | *আনোৱাৰা বেগম* | ৬৩ |
| দহন | *মন্টু কুমাৰ নাথ* | ৬৩ |
| কবিতাৰ ভাষাৰে তোমালৈ | *দিগন্ত শৰ্মা* | ৬৪ |
| অ' কবিতা | *সংগীতা ৰাণী কাশ্যপ* | ৬৫ |
| ব্যৰ্থতা | *নাজিমা বেগম* | ৬৫ |
| আহ্বান | *ধ্ৰুবজ্যোতি বৰুৱা* | ৬৬ |
| বিপ্লৱী | *মৃণাল বৰুৱা* | ৬৬ |
| সপোন | *ধৰিত্ৰী দেৱী* | ৬৭ |
| এটি ৰঙীন সপোন | *তীৰ্থ কুমাৰ শৰ্মা* | ৬৭ |
| আধৰুৱা গীত | *বৰ্ণালী নাথ* | ৬৮ |
| তুমি আহিলে | *নাজমা আৰা ছুলতানা* | ৬৮ |
| অপেক্ষা | *মনীষা কলিতা* | ৬৯ |
| সন্ধান | *হেমন্ত বৰুৱা* | ৬৯ |
| এটি কবিতা | *কৰিশ্মা কাশ্যপ* | ৬৯ |
| এটি স্বপ্ন | *হিৰোদ চন্দ্ৰ চহৰীয়া* | ৭০ |
| প্ৰতিবিম্ব | *দীপ্তি ডেকা* | ৭০ |
| প্ৰাৰ্থীৰ পৰা মন্ত্ৰীজন, তেওঁৰ ভাষণ আৰু ৰাইজ | *ড° দিবাকৰ চন্দ্ৰ দাস* | ৭১ |
| সুবিশাল পাখিলগা এজন আলৰ বুঢ়া মানুহ | *মূল ঃ গেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কেজ* | |
| | *অনুবাদ ঃ অধ্যাপক ইমৰাণ হুছেইন* | ৭৪ |
| বন্ধু মিনহাজুলৰ স্মৃতিত একলম | *জয়ন্ত শইকীয়া* | ৮০ |
| **ENGLISH SECTION :** | | |
| **Poem :** | | |
| Nonoi | *Bhrigu Kumar Deka* | ৮২ |
| A Few Lines of Love | *Jerifa Rehman* | ৮২ |
| Paradox | *Jograj Hazarika* | ৮৩ |
| **Article :** | | |
| Familism In Indian Democracy | *Sailen Saharia* | ৮৪ |
| The Venture : Called Environment Education | *Mohini Goswami* | ৮৭ |
| The Song of a Dying Day | *Lutfur Jaman* | ৯১ |
| Comedy of Life | *Debabrata Bordoloi* | ৯৩ |
| Four Pillars of 21st Century Education | *Chandra Choudhury* | ৯৭ |
| Kant's Theory of Space and Time | *Chakra Pani Borah* | ১০০ |
| সম্পাদকলৈ চিঠি শিতান | | ১০২ |
| বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন | | ৯৯-১১২ |
| মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল | | ১১৩-১২০ |


# বৰ্তমান সময়ত চাৰ্বাক দৰ্শনৰ প্ৰাসংগিকতা

(Man is the centre of the Universe)


কৃষ্ণ কমল নাথ
স্নাতক ৩য় বৰ্ষ


ভাৰতীয় দৰ্শনত প্ৰধানতঃ নটা সম্প্ৰদায় আছে। ইয়াৰ ভিতৰত ছটা সম্প্ৰদায় বৈদিক বা আস্তিক আৰু তিনিটা সম্প্ৰদায় হ'ল অবৈদিক বা নাস্তিক। আস্তিক সম্প্ৰদায় ছটা হ'ল ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্ত। এই ছয় দৰ্শনক ষড় দৰ্শন বুলিও কোৱা হয়। এই সম্প্ৰদায় কেইটাই বেদৰ বাণী সমূহক অভ্ৰান্ত আৰু স্বতঃসিদ্ধ বুলি স্বীকাৰ কৰে। সেই কাৰণে বৈদিক বা আস্তিক দৰ্শন বোলা হয়। আৰু নাস্তিক সম্প্ৰদায় তিনিটা হ'ল চাৰ্বাক, জৈন আৰু বৌদ্ধ। এই সম্প্ৰদায় কেইটাই বেদৰ বাণী সমূহক অভ্ৰান্ত আৰু স্বতঃসিদ্ধ বুলি স্বীকাৰ নকৰে কাৰণে অবৈদিক বা নাস্তিক দৰ্শন বোলা হয়। এই অবৈদিক বা নাস্তিক সম্প্ৰদায়বোৰৰ ভিতৰত চাৰ্বাক দৰ্শনেই হ'ল অন্যতম আৰু এই দৰ্শনেই ভাৰতীয় দৰ্শনৰ ভিতৰত অতি প্ৰাচীন দৰ্শন।

বেদ, প্ৰাচীন বৌদ্ধ সাহিত্য, ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থত এই চাৰ্বাক দৰ্শনৰ উল্লেখ পোৱা যায়। কিন্তু এই দৰ্শন সম্পৰ্কে কোনো প্ৰামাণ্য গ্ৰন্থ পোৱা নাযায়। সেই কাৰণে এই দৰ্শনৰ প্ৰতিষ্ঠাতা কোন ? চাৰ্বাক শব্দৰ অৰ্থই বা কি ? — এই বিষয়ে পণ্ডিত সকলৰ মাজত মতভেদ দেখা যায়। কোনো কোনো পণ্ডিতৰ মতে চাৰ্বাক নামৰ এজন ঋষি আছিল আৰু তেওঁৰ নামানুসাৰেই তেওঁৰ প্ৰৱৰ্তিত এই দৰ্শনক চাৰ্বাক দৰ্শন নামে পৰিচিত কৰা যায়। কিছুমান পণ্ডিতৰ মতে ঋগবেদৰ ঋষি বৃহস্পতিৰ অন্য নাম চাৰ্বাক আৰু তেওঁৰ উপদেশবোৰেই চাৰ্বাক দৰ্শন নামে পৰিচিত। আন কিছুমানৰ মতে আকৌ যি সকলে "চাৰু-বাক" অৰ্থাৎ মধুৰ আৰু সহজবোধ্য বাক্যৰ দ্বাৰা সাধাৰণ মানুহৰ অন্তৰ জয় কৰি নিজৰ মতবাদ প্ৰচাৰ আৰু প্ৰতিষ্ঠা কৰিছিল তেওঁলোকেই চাৰ্বাক নামেৰে পৰিচিত। চৰ্ব ধাতুৰ পৰা (অৰ্থাৎ খোৱা) চাৰ্বাক শব্দৰ উৎপত্তি হৈছে বুলিও কোনো কোনো পণ্ডিতে মত পোষণ কৰিছে।

চাৰ্বাক দৰ্শন হ'ল জড়বাদী নাস্তিক দৰ্শন। ভাৰতীয় দৰ্শনৰ ইতিহাসত একমাত্ৰ চাৰ্বাক দৰ্শনেই বিশুদ্ধ জড়বাদী দৰ্শন নামে খ্যাত। এওঁলোকৰ মতে জড় বা পদাৰ্থই এই জগতৰ বস্তু বা তত্ত্ব। এই জগতখন বা ইয়াৰ সকলো বস্তু চাৰিটা উপাদানেৰে সৃষ্টি হৈছে। এই উপাদান চাৰিটা হ'ল বায়ু, পানী, মাটি আৰু জুই। যেনেকৈ তামোল, পাণ, চুণ আৰু ধপাতৰ সংমিশ্ৰণত ৰঙা ৰঙৰ সৃষ্টি হয় কিন্তু এই চাৰিটা বস্তুৰ এটাতো এই ৰঙা ৰং নাথাকে ঠিক তেনেদৰে বায়ু, পানী, মাটি আৰু জুই লগ লাগি এটা জীৱন্ত শৰীৰ সৃষ্টি কৰে আৰু তাত চেতনাৰ উদ্ভৱ হয়। মৃত্যুৰ লগে লগে চেতনাও শেষ হয়। আত্মা বুলি কোনো বস্তুৰ অস্তিত্ব নাই।

বস্তুবাদী চাৰ্বাক সকলৰ মতে প্ৰত্যক্ষই হ'ল একমাত্ৰ প্ৰমাণ। অৰ্থাৎ সমাৰ্থ জ্ঞান লাভৰ একমাত্ৰ উপায়। আমাৰ ইন্দ্ৰিয় সমূহৰ জৰিয়তে যি জ্ঞান লাভ কৰা যায় তাক প্ৰত্যক্ষ জ্ঞান বোলা হয়। চকু, কাণ, নাক, জিভা আৰু

ছালৰ এই পঞ্চেন্দ্ৰিয়ৰ সহায়ত লাভ কৰা জ্ঞানেই সমাৰ্থ জ্ঞান। প্ৰত্যক্ষ, অনুমান আৰু শব্দ এই তিনিটা উপায়কে সমাৰ্থ জ্ঞান লাভৰ উপায় হিচাপে গ্ৰহণ কৰি অহা হৈছে। কিন্তু অনুমান আৰু শব্দৰ দ্বাৰা পোৱা জ্ঞানক চাৰ্বাক দৰ্শনে সমাৰ্থ জ্ঞান বুলি মানি নলয়। কাৰণ অনুমানৰ পৰা পোৱা জ্ঞান নিশ্চিত হ'ব নোৱাৰে, ই সম্ভাৱনামূলকহে। এনে জ্ঞানত ভুল জ্ঞান পোৱাৰ সম্ভাৱনাই বেছি। উদাহৰণ স্বৰূপে — সূৰ্য সদায় পূব ফালৰ পৰা উদয় হৈ আহিছে অতীতৰ পৰা বৰ্তমানলৈ কিন্তু ভৱিষ্যতে সূৰ্য পূব ফালে উদয় নহবও পাৰে। শব্দৰ দ্বাৰাও যথাৰ্থ জ্ঞান লাভ কৰা নাযায়। আপ্ত বাক্য অৰ্থাৎ বিশ্বাসযোগ্য ব্যক্তিৰ বাক্যকেই শব্দ বোলা হয়। তাৰোপৰি ইয়াক যদি জ্ঞান লাভৰ উপায় বুলি ধৰা হয় তেনেহলে নিজৰ বিচাৰ বুদ্ধিৰ দ্বাৰা কোনো জ্ঞান অৰ্জন কৰিব পৰা নাযাব। গতিকে প্ৰত্যক্ষই হ'ল একমাত্ৰ জ্ঞান লাভৰ শুদ্ধ প্ৰমাণ। জড়বাদী চাৰ্বাক সকলে ইন্দ্ৰিয়ৰ অতীত কোনো বস্তুকে স্বীকাৰ নকৰে। যেনে — ঈশ্বৰ, আত্মা, মুক্তি, পুণৰজন্ম, কৰ্মফল আদি অলৌকিক জগতৰ বস্তুবোৰ। এইবোৰ অনুমানৰ দ্বাৰা আছে বুলি ক'ব নোৱাৰি। যিটো অনুমান প্ৰত্যক্ষৰ ওপৰত প্ৰতিষ্ঠিত সেইটোহে আচল অনুমান। চাৰ্বাক সকলে অলৌকিক জগতৰ বস্তুবোৰ আৰু বেদক অভ্ৰান্ত বুলি স্বীকাৰ নকৰে কাৰণেই আস্তিক দাৰ্শনিক সকলে তেওঁলোকক "কুতৰ্কীবাদী" বুলি অভিহিত কৰিছে।

চাৰ্বাক দৰ্শনৰ কথাবোৰ আমি অন্য দৰ্শনৰ পৰাহে পাওঁ। এই দৰ্শনৰ নিজা কোনো সাহিত্য নাই। ফলত যি সকলে চাৰ্বাক দৰ্শনক বেয়া পাই তেওঁলোকে চাৰ্বাক সকলৰ বিষয়ে লিখিবলৈ হলে সাধাৰণতে তেওঁলোকৰ বেয়াটোহে লিখিব। গ্ৰীচ দেশত যেনেকৈ এপিকুৰীয়াবাদক ঘৃণা কৰা হয় ঠিক তেনেকৈ ভাৰততো চাৰ্বাক দৰ্শন বুজাবলৈ কোনোৱে যত্ন নকৰে। কিন্তু আচলতে কাণ্টক যেনেকৈ হিউমে "নিৰ্বিচাৰত্মক' কলা ঘূমতিৰ পৰা তুলিছে ঠিক তেনেকৈ ভাৰতীয় দাৰ্শনিক সকলকো চাৰ্বাক দৰ্শনে "নিৰ্বিচাৰাত্মক" কলা ঘূমতিৰ পৰা জগাই তুলিছে। (Carvaka philosopher's roused Indian philosopher's from their dogmatic slumber)

ভাৰতীয় দৰ্শনৰ সম্প্ৰদায়ত চাৰ্বাক দৰ্শনে নাস্তিক জড়বাদী দৰ্শন হিচাপে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। চাৰ্বাক দৰ্শনে যে এক নাস্তিকবাদী হিচাপে স্থান দখল কৰি আহিছে, তেনে নহয়, ই আমাৰ ব্যৱহাৰিক জীৱনত বিশেষ স্থান লাভ কৰিছে। এই দৰ্শনে আমাৰ দৈনন্দিন জীৱনৰ গতি পথত বিশেষ স্থান লাভ কৰি অহা কাৰণে "লোকায়তবাদ" বুলিও জনা যায়। কাৰণ এই দাৰ্শনিক শাখাই সাধাৰণ মানুহৰ জীৱন দৰ্শন দাঙি ধৰিছে। চাৰ্বাক দৰ্শনে সৰ্ব সাধাৰণ মানুহৰ স্বাধীন চিন্তাৰ পথ মুকলি কৰে আৰু সমালোচনাত্মক দৰ্শনৰ পথ প্ৰস্তুত কৰে। জাগতিক সুখ ভোগেই মানুহৰ চৰম লক্ষ্য বুলি এই দৰ্শনে প্ৰতিপন্ন কৰে আৰু এওঁলোকে বৰ্তমান জীৱনকহে স্বীকৃতি দিছে; পিচৰ জীৱনটোলৈ তেওঁলোক উদাসীন। চাৰ্বাকৰ উপদেশ – "ঋণ কৰি হলেওঁ ঘিউ খাবা, যত দিন জীয়াই থকা তত দিন সুখেৰে থাকিবা"। (ঋণং কৃত্বা ঘৃতং পিবেৎ, যাবজ্জীবেত সুখং জীবেৎ) অৰ্থাৎ চাৰ্বাক দৰ্শনৰ মতে আমাৰ বৰ্তমান জীয়াই থকা দিনকেইটাতে যিমান পাৰি সিমান সুখ-স্বাচ্ছন্দ্য আদি উপভোগ কৰিব লাগে। কাৰণ তেওঁলোকে অলৌকিক বা আমাৰ ইন্দ্ৰিয়বোৰে ঢুকি নোপোৱা বস্তুবোৰত বিশ্বাস নাই। এওঁলোকে মাত্ৰ জীয়াই থকা দিনকেইটাকে বিশ্বাস কৰে। কাৰণ চাৰ্বাকৰ মূল লক্ষ্যই হ'ল প্ৰত্যক্ষ। বস্তুবাদী চাৰ্বাক সকলৰ ভাৱধাৰাৰ লগত পাৰস্যৰ ওমৰ খৈয়ামৰ ভাৱৰ বহখিনি মিল আছে। "Eat, Drink and marry, for tomorrow you will die." ভাৰতীয় বস্তুবাদী সকলৰ ভিতৰত শ্ৰেষ্ঠ দাৰ্শনিক বাৎসায়নে কৈছিল – সকলো প্ৰকাৰৰ শাস্ত্ৰীয় নীতি আৰু তত্ত্বৰোৰক অস্বীকাৰ কৰিলেও ব্যৱহাৰিক বাস্তৱ জীৱনটো নিত্য চলি থাকিব। সেইবাবে বাস্তৱ জীৱনটোৰ ওপৰত একমাত্ৰ



গুৰুত্ব দি বৰ্তমানৰ প্ৰকৃত সুখ লাভ কৰাটোৱেই হৈছে জীৱনৰ মুখ্য উদ্দেশ্য; ত্যাগ তথা সাম নিগ্ৰহৰ নৈতিক আদৰ্শ তেওঁলোকৰ মতে এটা অবাস্তৱ আদৰ্শ।

আমি যদি বৰ্তমান আধুনিক যুগত চাৰ্বাক দৰ্শনৰ প্ৰাসংগিকতালৈ বা গুৰুত্বলৈ চাও তেনেহলে আমি আদিম অৱস্থাৰ মানুহৰ জীৱন প্ৰণালীও বিচাৰ কৰি চাব লাগিব। আমি হবছৰ দৰ্শনত প্ৰকৃতিৰ এটা বৰ্ণনা পাওঁ আৰু তাত অতীত মানুহে কেনেকৈ জীৱন নিৰ্বাহ কৰিছিল তাৰ বৰ্ণনা পাওঁ। আদিম মানৱ বিলাক অসভ্য আৰু বৰ্বৰ আছিল। তেওঁলোকে মুকলিমূৰীয়াকৈ স্বাধীন ভাৱে বসবাস কৰিছিল। নিজে নিজৰ কামবোৰ কৰিছিল। তেওঁলোকে খোৱা-লোৱাৰ ক্ষেত্ৰত নিজকলৈহে ব্যস্ত আছিল। আন একো উন্নত চিন্তা-চৰ্চা কৰা নাছিল। কিন্তু সময়ৰ সোঁতৰ পৰিৱৰ্তনৰ লগে লগে তেওঁলোক স্বাধীন ভাৱে থাকিব নোৱাৰা হ'ল। বিভিন্ন সমস্যাই তেওঁলোকক দেখা দিলে। গতিকে সেই সমস্যাবোৰ সমাধানৰ কাৰণে তেওঁলোকে উন্নত চিন্তা-চৰ্চা কৰিব ধৰিলে। তেওঁলোকে সমাজ বা ৰাষ্ট্ৰৰ কথা চিন্তা কৰিব ধৰিলে আৰু সেই অসভ্য, বৰ্বৰ মানুহবোৰৰ মনত দয়া, মৰম, সহানুভূতি, শ্ৰদ্ধা আদি চিন্তাৰ উদ্ভৱ হ'ল। তেওঁলোকে ব্যক্তিগত চিন্তাধাৰাৰ পৰা সমাজমুখী হ'ল। অৰ্থাৎ স্বাৰ্থপৰতাৰ পৰা গৈ পৰাৰ্থমুখী হ'ল। তেওঁলোকে আনৰ প্ৰতি সহানুভূতি, দয়া, মৰম, চেনেহ, উদাৰভাৱ, ভাতৃত্ব ভাৱ দেখুৱাব লগা হ'ল। কিন্তু বৰ্তমান কম্পিউটাৰ ইণ্টানেটৰ যুগৰ মানুহবোৰ ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে । আজিৰ মানুহবোৰ যন্ত্ৰত পৰিণত হৈ পৰিছে। অৰ্থাৎ চাৰ্বাক দৰ্শনৰ মতবাদৰ নিচিনা জীয়াই থকা দিনকেইটাতে আনৰ ক্ষতি বা সুখ দুখৰ প্ৰতি কাণ নিদি নিজে যি পাৰে আনৰ পৰা কাঢ়ি আনি হলেও খোৱা। এই ক্ষেত্ৰত বৰ্তমান চাৰ্বাক দৰ্শনৰ দৰেই আমাৰ মানৱ ধৰ্ম হৈ পৰিছে। আজিকালি কোনেও ভৱিষ্যত বা ধৰ্ম-কৰ্ম বা সমাজৰ কথা চিন্তা নকৰি কেৱল নিজে যি পাৰি দুৰ্বলীৰ পৰা বা আনৰ পৰা কাঢ়ি আনি খোৱাত ব্যস্ত হৈ পৰিছে। ধৰ্ম-কৰ্ম বা সমাজৰ উন্নতিৰ কথা চিন্তা কৰিব যদি সেই বিষয়ত কিবা নিজৰ স্বাৰ্থ জড়িত থাকে বা নিজৰ কিবা লাভ হয়। ইয়াৰ ফলতে অৰ্থাৎ নিজৰ প্ৰতি প্ৰত্যেকজন ব্যক্তিয়ে সুখ-স্বাচ্চন্দ্যত কেৱল গুৰুত্ব দিয়াৰ কাৰণেই পৃথিৱীত ইমান হিংসা, সন্ত্ৰাস, হত্যা, লুণ্ঠণ, ধৰ্ষণ আদিৰ দৰে বীভৎস ঘটনাবোৰে দেখা দিছে আৰু নানাবিধ সমস্যাই পৃথিৱীত দেখা দিছে। আনহাতে চাৰ্বাকৰ দৰে কেৱল নিজে নিজৰ ওপৰত গুৰুত্ব দিব লাগে আৰু আনৰ সুখ-দুখৰ প্ৰতি কোনোৰে যেন দায়িত্ব থাকিব নালাগে। ইয়াৰ ফলতে আমাৰ সমাজৰ মানুহবোৰ আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ হৈ পৰা যেন অনুমান হয়। বৰ্তমান আধুনিক সমাজৰ প্ৰায়ভাগ ব্যক্তিয়ে বিলাসিতাত অধিক গুৰুত্ব দিয়া কাৰণে আমাৰ ভদ্ৰ সমাজত নৈতিক স্খলন হোৱা দেখা গৈছে। ভাল-বেয়া, শুদ্ধ-অশুদ্ধ আদিৰ বাচ-বিচাৰ নোহোৱা হৈছে। শুদ্ধ বিচাৰ বুলিবলৈতো নোহোৱাই হৈছে। দোষীজন কৰবাতেই থাকে নিৰ্দোষীজনে শাস্তি ভোগ কৰিব লগা হৈছে। ব্যক্তিগত স্বাৰ্থৰ খাতিৰতে দোষীক নিৰ্দোষী আৰু নিৰ্দোষীক দোষী সজা হয়। আজিৰ যুগৰ মানুহে যিখন খেল খেলিবলৈ লৈছে সেইখনেই টকা বনাম জীৱনৰ খেল। বসুমতী আইৰ শীতল কিম্বা বহল বুকুত অহৰহ চলিব ধৰা এই খিয়লা-খিয়লি, দয়া-মায়াহীন খেলখনত বাৰে বাৰে হৈছে জীৱনৰ পৰাজয়। টকাৰ বিজয়ৰ গৌৰৱৰ কৱলত পৰি চেৰাবলীয়া হোৱা মানুহবোৰে বসুমতী আইৰ গৰ্ভত গৰ্ভধাৰণ কৰা ভ্ৰূণবোৰ নষ্ট কৰিব লৈছে — চকুৰ আগত নিৰ্ভয়ে, নিঃসংকোচে ঘটিব ধৰিছে ধৰ্ষণ, নিষ্পেষণ, শোষণ, নিৰ্যাতন। যেতিয়াই জীৱনৰ পৰাজয় হয়, তেতিয়াই চেনেহী আইৰ বুকু ৰ ওপৰেৰে বাগৰে কেচা তেজৰ ঢল – আৰম্ভ হয় হত্যা, গণ হত্যা – নিৰ্মমভাৱে বিস্ফোৰিত হয় বোমা বাৰুদৰ ফুলজাৰি – কেৱল ব্যক্তিগত স্বাৰ্থৰ খাতিৰতে , কেৱল মানুহবোৰ নিজক লৈ ব্যস্ত হৈ পৰাৰ কাৰণে। কোনো কামৰ বাবে চৰকাৰী অফিচত যাব নোৱাৰি তাতো লাগে টকা। যিবোৰ ব্যক্তিয়ে চৰকাৰী

অফিচত কামৰ বাবে টকা লয়, সেইবোৰ ব্যক্তিয়েটো চৰকাৰৰ পৰা মাহিলি দৰমহা পায়। কিন্তু একমাত্র নিজৰ সুখ-স্বাচ্ছন্দ্য উপভোগ কৰিবৰ কাৰণে তেওঁলোকক আৰু টকাৰ প্ৰয়োজন। এজন কলেজৰ প্ৰফেচাৰতকৈ মন্ত্ৰীবোৰে দৰমহা কম পায়। কিন্তু তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড অতি উন্নত। বিভিন্ন চহৰ-নগৰত তেওঁলোকৰ অট্টালিকা। এইবোৰ বাৰু নিজৰ সুখ-স্বাচ্ছন্দ্যৰ বাবেই নহয়নে? এইবোৰে চাৰ্বাক দৰ্শনৰ মূল উদ্দেশ্যৰ দৰেই ধাৱিত হৈছে।

আনহাতে, জ্ঞানৰ ক্ষেত্ৰত যিহেতু চাৰ্বাক দৰ্শনেই একমাত্র প্ৰত্যক্ষক বিশ্বাস কৰে। তেওঁলোকে আত্মা, ঈশ্বৰ, পৰজন্ম, কৰ্মফল, মুক্তি আদিক বিশ্বাস নকৰে। ইয়াৰ ফলত বৰ্তমান মানৱ জাতিৰ ফালে যদি চাওঁ তেনেহলে দেখা যায় যে প্ৰায়ভাগ ব্যক্তিয়ে নিজক লৈ ব্যস্ত অৰ্থাৎ জীয়াই থকা দিন কেইদিনতে যিমান পাৰি ধৰ্ম-কৰ্ম নামানি অপকৰ্মৰ জৰিয়তে হলেও সংসাৰত ভোগ বিলাসিতাত নিজকে সমৰ্পণ কৰিছে। এই ক্ষেত্ৰত আধ্যাত্মিকতাৰ অভাৱ দেখা যায়।

আচলতে পাৰলৌকিক জগতক আৰু বেদজ্ঞানক অস্বীকাৰ কৰিবলৈ চাৰ্বাক দৰ্শনে জ্ঞান তত্ত্ব গঢ় দিয়ে। কাৰণ অলৌকিকতাই সৰ্বসাধাৰণ মানুহৰ মনত জীৱন সম্পৰ্কে ভুল ধাৰণাৰ উদ্ভৱ ঘটাই, তেওঁলোকক নানাভাৱে বঞ্চিত কৰি আহিছে।

এইদৰে ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে বৰ্তমান সময়ৰ আমাৰ মানৱ সমাজ যে ব্যক্তিকেন্দ্ৰিক, স্বাৰ্থপৰ হৈ পৰিছে ইয়াক চাৰ্বাক দৰ্শনৰ লগত তুলনা কৰিলে বহুখিনি মিল পোৱা যায়।

গতিকে আমাৰ মানৱ সমাজৰ মাজৰ পৰা চাৰ্বাক দৰ্শনে আগবঢ়োৱা মতবাদটোৰ নিৰ্মূল কৰি, আমাৰ সভ্য সমাজৰ মাজত থকা হিংসা, দ্বেষ আতৰাই এখন নিকা সমাজ গঢ়ি তুলিব লাগে। আৰু যদি আমি সচাঁকৈয়ে শান্তি বিচাৰো, এখন সুন্দৰ সমিল মিলৰ সমাজ বিচাৰো তেন্তে আমাৰ সমাজত থকা ৰত্নাকৰ সদৃশ ব্যক্তিবোৰক বাল্মিকীৰ দৰে গঢ় দিব লাগিব আৰু সমাজত ঘটি থকা হত্যা, হিংসা, লুণ্ঠণ, দুৰ্নীতি, নৈতিক অধঃপতন, প্ৰৱঞ্চনা, প্ৰতাৰণা আদি সকলো ঘটনাৰে ওৰ পেলাব লাগিব। নহলে মানুহৰ মাজত পাপ-পূণ্যৰ বিচাৰ নোহোৱা হ'ব আৰু তেতিয়াই এনে কিছুমান অসামাজিক, বৰ্বৰ কাৰ্য সংঘটিত হ'ব। মানুহৰ মাজত এই অসূয়াবোৰ থাকিয়েই যাব যেতিয়ালৈকে আমি সমাজৰ মাজত বা মানুহবোৰৰ মাজত আধ্যাত্মিক স্ফুৰণ ঘটাব নোৱাৰো।

(সহায় লৈ – ভাৰতীয় দৰ্শনত এভূমুকি)

কৃতজ্ঞতা স্বীকাৰ

পৱন, ৰাজু, ভাৰ্গৱ, জয়ন্ত, ভৱ।

◆ ◆ ◆



# দৰঙী হিন্দু-মুছলমানৰ সাংস্কৃতিক সমন্বয়

গিৰীশ নাথ
প্ৰাক্তন ছাত্ৰ

বৃহত্তৰ অসমৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক সকলো দিশতে হিন্দু আৰু মুছলমানৰ সমন্বয় এক বহুমূলীয়া সম্পদ। নিজা নিজা ধৰ্মীয় ৰীতি-নীতিৰ বাহিৰে অন্যান্য সকলো ক্ষেত্ৰতে যেন হিন্দু-মুছলমান এক। বিশেষকৈ সাংস্কৃতিক দিশত হিন্দু মুছলমানে অসমত যি সমন্বয়ৰ সৃষ্টি কৰিলে সি ঐতিহাসিকভাৱে বহু মূল্যবান। বিশেষকৈ সোতৰ শতিকাৰ আগভাগত অসমৰ শিৱসাগৰলৈ ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা চাৰিজনা পীৰ বা ধৰ্মগুৰুৰ ভিতৰৰে আজান ফকীৰে অসমৰ সাংস্কৃতিক জগতলৈ মহম্মদী ভাৱধাৰাৰে পুষ্ট যি জিকিৰ আৰু জাৰি গীত আগবঢ়ালে সিয়ে অসমীয়া সংস্কৃতিৰ জগতখনত ইছলাম ধৰ্মই খোপনি লোৱাত সহায় কৰি দিলে।

বৃহত্তৰ ভাৰতবৰ্ষত মুছলমানসকলৰ প্ৰবেশৰো কিছু ঐতিহাসিক কাৰণ আছে। মহম্মদ ঘজনীৰ ভাৰত আক্ৰমণৰ পিচৰ পৰাই ভাৰতবৰ্ষলৈ সদলবলে মুছলমানৰ আগমন হয়। তাৰে সৰহ সংখ্যক বেপাৰী আৰু সাধুলোকো আছিল। সেই সাধুসকলৰ জালালুদ্দিন, মইনুদ্দিন চিষ্টি, নিজামুদ্দিন আউলিয়া আদিয়ে হিন্দুসকলৰ তত্বাৱধানত থাকি অসংখ্য হিন্দুক মুছলমান ধৰ্মলৈ ধৰ্মান্তৰিত কৰিছিল। আনহাতে পাঞ্জাব, ৰাজস্থান, বিহাৰ, উত্তৰপ্ৰদেশ আদিত উচ্চ ব্ৰাহ্মণবাদৰ বেছি প্ৰভাৱ থকা হেতুকে ইছলাম ধৰ্মই দকৈ শিপাব পৰা নাছিল। তথাপিও ভাৰতৰ সৰহখিনি মুছলমান দুখীয়া আৰু সামাজিক উৎপীড়নত সৰ্বস্বান্ত হোৱা নিম্ন হিন্দু শ্ৰেণীৰ লোক। বিশেষকৈ অসম আৰু পূৰ্ববঙ্গৰ (বৰ্তমান বাংলাদেশ) বহুসংখ্যক মুছলমানেই কেৱল মুছলমান ৰাজশক্তিৰ অত্যাচাৰতেই ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা নাছিল। ইয়াৰ মূল কাৰণ আছিল তথাকথিত উচ্চ হিন্দুসকলে তেওঁলোকৰ ওপৰত সময়ে সময়ে কৰি অহা সামাজিক উৎপীড়ন। সেই নিম্ন হিন্দুসকলৰ সংস্কৃত আদি বিষয়ত উচ্চশিক্ষা লাভ, মন্দিৰৰ ভিতৰত একেলগে পূজা-পাতল কৰা, প্ৰসাদ গ্ৰহণ কৰা আদি কাৰ্যও নিসিদ্ধ আছিল। অন্যধৰ্মী মুছলমান সকলতকৈ স্বধৰ্মী এই নিম্ন হিন্দুসকলক উচ্চ শ্ৰেণীৰ হিন্দু সকলে বেছি অত্যাচাৰ কৰিছিল। সেয়ে, তেওঁলোকৰ কাৰণে ইছলাম ধৰ্মৰ পথ সহজ মুক্তিৰ পথ হৈ পৰিছিল।

প্ৰায় তেৰ শতাব্দীৰ পৰা অসমলৈ মুছলমানৰ আগমন হয় যদিও পোন্ধৰ শতিকাতহে পূৰ্ণ ৰূপত অসমলৈ সদলবলে মুছলমানৰ আগমন হয় বুলি কব পাৰি। পোন্ধৰ শতিকাত কমতাৰাজ নীলধ্বজে কামৰূপৰ সিংহাসন দখল কৰি কমতাত 'খেন' বা 'খানা' নামে এক নতুন বংশৰ প্ৰতিষ্ঠা কৰে। কিন্তু মুছলমানৰ আক্ৰমণৰ তীব্ৰ হেচাঁত ই নিঃচিহ্ন হৈ যায়। কমতাৰাজৰ গৃহবিবাদৰ সুবিধা লৈ বঙ্গৰ নবাব হুছেইনশ্বাহে ১৪৯৮ খ্ৰীঃত নীলাম্বৰৰ দিনত কমতাৰাজ্য আক্ৰমণ কৰে। অসমত মুছলমানৰ বসতি আৰু সাংস্কৃতিক বিকাশত হুছেইনশ্বাহৰ এই আক্ৰমণ উল্লেখযোগ্য, কিয়নো এই আক্ৰমণৰ ফলস্বৰূপেই কামৰূপত অসংখ্য মুছলমান মানুহ ৰৈ যায়। হাজোৰ বিখ্যাত পোৱামক্কা মছজিদটোও এই সময়তে সজোৱা হৈছিল। বৃহত্তৰ নামনি অঞ্চল, বিশেষকৈ গোৱালপাৰা, ধুবুৰী, বৰপেটা, কামৰূপ, দৰং, নগাওঁ আদি অঞ্চলত বাস কৰা মুছলমান লোকসকলৰ অসমৰ ধৰ্মীয়, ৰাজনৈতিক তথা সাংস্কৃতিক দিশলৈ আগবঢ়োৱা

বৰঙনিয়ে হিন্দু-মুছলমানৰ সম্প্ৰীতিত প্ৰভূত অৰিহণা আগবঢ়াইছে। বিশেষকৈ বৃহত্তৰ দৰং অঞ্চলৰ হিন্দু-মুছলমানৰ মাজত যি সাংস্কৃতিক সমন্বয় সি অসমৰ অন্য ঠাইৰ তুলনাত অধিক বিস্তৃত আৰু সুদৃঢ়।

অসমীয়া লোককৃষ্টি আৰু ঐতিহ্য বহনত দৰঙী অঞ্চলৰ থলুৱা লোকসঙ্গীতৰ বৃহৎ পৰিসৰে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ওজাপালি, দেওধ্বনি নৃত্যৰ পৰা আৰম্ভ কৰি থিয়নাম, বৰঢুলীয়া, ঢেপাধুলীয়া ছিয়াগীত, চেৰা ঢেক, কালীয়া, গোষ্ঠ চৌপৰী উৎসৱ, দেউল উৎসৱ, মথেনী উৎসৱ আদি কৃষ্টিৰে বিধৌত হৈ আছে সমগ্ৰ দৰং অঞ্চল। কি হিন্দু, কি মুছলমান, কি বড়ো, কি ৰাভা সকলোৱে যেন এই কৃষ্টি সমূহক জীয়াই ৰাখিবৰ বাবে বদ্ধ পৰিকৰ। বিশেষকৈ ব্যাস আৰু সুকনান্নী ওজাপালি আৰু 'চেৰাঢেক' নামৰ এই লোককৃষ্টি কেইটাৰ ক্ষেত্ৰত দৰঙী মুছলমানখিনিৰ অৰিহণা আছে। 'চেৰাঢেক' নামৰ লোককৃষ্টিটো মুছলমানসকলৰ ইছলাম তত্ত্বৰ সৈতে জড়িত। আনহাতে ওজাপালিৰ ঐতিহ্য আৰু ছিয়াগীতৰ ধৰ্মতত্ত্বত মুছলমান ভাইসকলৰ 'জিকিৰ আৰু জাৰিগীত'ৰ ধৰ্মতত্ত্বৰ প্ৰভাৱ সংমিশ্ৰিত হৈ আছে।

বৃহত্তৰ দৰং অঞ্চলৰ পাটিদৰং, মাৰৈ, মুছলিমঘোপাত মুছলমানৰ জনবসতি ঘন। মুছলমানৰ অসম আক্ৰমণৰ সময়ত দৰং অঞ্চলত মুছলমানে খোপনি পোতে। দৰঙত মুছলমানৰ প্ৰতিষ্ঠা সন্দৰ্ভত মহেশ্বৰ নেওগে 'পবিত্ৰ অসম'ত উল্লেখ কৰিছে এনেদৰে - 'মঙলদৈ অঞ্চলত দৰগাহ বা পুৰণি মছজিদ নাই। মুছলমান আক্ৰমণৰ সময়ত ইয়াত মুছলমানৰ জনসংখ্যা লাহে লাহে বাঢ়ি যায়। পাথৰিঘাট অঞ্চলত বিশেষকৈ পাটিদৰঙৰ দৰে ঠাইত মুছলমানৰ বসতি ঘন। কিন্তু অনেক মুছলমানেই ইছলামৰ নীতি পাহৰি স্থানীয় লোকৰ লগত মিলি গৈছিল। গো-মাংসও পৰিত্যাগ কৰিছিল। বহুতে তন্ত্ৰ-মন্ত্ৰ শিকিছিল আৰু বিশ্বাস কৰিছিল, লগতে মনসা পূজা আদিত দেখাদেখিকৈ ভাগ লৈছিল।

বৃহত্তৰ দৰং অঞ্চল আচলতে সকলো ধৰ্ম-সংস্কৃতিৰ মিলন ভূমি। আজিও হিন্দু-মুছলমান, বৌদ্ধ, খ্ৰীষ্ট আদি জনজীৱনৰ মাজত থকা বৃহৎ একতাই বিভেদকামী শক্তিসমূহক প্ৰতিহত কৰিবলৈ সক্ষম হৈছে। কিছু থলুৱা সংস্কৃতিৰ বিষয়ে আলোচনা কৰিলে এই কথা প্ৰমাণিত হব। এই অঞ্চলৰ সুকীয়া বৈশিষ্ট্যপূৰ্ণ ব্যৱহাৰ ওজাপালিৰ গীতত বিভিন্ন ধৰ্মীয় ভাৱধাৰাৰ সমন্বয় সাধন ঘটিছে। প্ৰাচীন মাৰ্গীয় সঙ্গীতৰ ভিতৰত ব্যাসসঙ্গীতো প্ৰধান। শাস্ত্ৰীয় ৰাগ-সঙ্গীতৰ প্ৰাধান্য থকা এই ব্যাস সঙ্গীতৰ ওজাই ভৰিত পিন্ধা নেপুৰ আৰু কান্ধত আৰু কঁকালত লোৱা দখনা বা টঙালি, দুই হাতেৰে বজোৱা খুটিতাল উত্তৰৰ ভূটীয়াসকলৰ অৱদান। চাপকন চোলা, টুপী, জামা আৰু মোগালী পোছাকৰ ব্যৱহাৰে ব্যাহৰ ওজাপালিক জাতি-ধৰ্মৰ সংহতি আৰু সমন্বয়ৰ বাহক বুলি কব পাৰি। মহাপুৰুষ শংকৰদেৱৰ মহান বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ পিচতে দৰঙত খটৰা সত্ৰৰজা দুৱাৰ সত্ৰ আদি সাংস্কৃতিক মিলনস্থলীৰ সৃষ্টি হৈছিল। আৰু তাৰ লগে লগেই প্ৰসাৰিত হৈছিল ব্যাস সঙ্গীতৰ বিস্তৃত ধাৰা। ব্যাস সঙ্গীতত 'ঝুনা' নামৰ একপ্ৰকাৰ গীতৰ প্ৰচলন আছে। সেই গীতবোৰৰ ভিতৰত ভালেমান শিৱৰ গীত, ৰাধা-কৃষ্ণৰ লীলা সম্বন্ধীয় গীতৰ ভনিতাত মাধৱদেৱৰ (?) উল্লেখ আছে। আনহাতে দুই-চাৰি দুৰ্গাবৰী গীত থকাৰ উপৰি কবীৰৰ ভনিতা থকা কিছু সংখ্যক গীতো আছে। কবীৰ ভনিত এই গীতবোৰৰ ভাষা মৈথিলী, বঙালী আৰু অসমীয়াৰ সানমিহলি। আনহাতে কিছুমান গীতত আল্লাৰ নামো সোমাই আছে। ব্যাস সঙ্গীতৰ দৰে এটি উচ্চমান বিশিষ্ট ধৰ্মীয় সঙ্গীতানুষ্ঠানত এই গীতৰ কেনেকৈ প্ৰৱেশ ঘটিল ইয়ো এক বিচাৰ্যৰ বিষয় যদিও এনে সংমিশ্ৰণে ব্যাস সঙ্গীতক হিন্দু আৰু মুছলমানৰ সমন্বয়ৰ বাটকটীয়া হিচাপে স্বীকৃতি দিব পাৰি। আচলতে মুছলমান সকলৰ পাটচাহী গীতৰ পৰাই ব্যাসগীতত এই গীত ক্ৰমান্বয়ে সোমাই পৰিছিল। পাটচাহী গীতৰ এটি নমুনা এনে ধৰণৰ -



আৰে দুনীয়াৰে দুনীয়া বাবা
আল্লাক জাল্লা, জান্তাকৰা বাজনাৰে বাবা
গুৰুজী তোমাৰ সুমৰে ঘনা।
কিসেৰ পিতা, কেকৰ মাতা, কাহাকা সতীত ভায়া
ওসো বিন্ধ দেহা সহজে পচিয়া যায়।
ভাই-ভতিজা ধৰমৰ প্ৰিয়া হৰজ কৰি লিয়া
অবলাখো ৰূপেয়া যৌৱন জংগল হৈয়া গেল।'

দৰং অঞ্চলত ব্যাহৰ ওজাসকলে বৰ্তমান গোৱা উক্ত গীতৰ ধৰণ এনেকুৱা -

গুৰুকী তুমজী কিসেৰ মন মনা
প্ৰভুজী তুমজী কিসেৰ মন মনা
অব বদনীয়া অব বদনীয়া মালতী জোস্তা ল
কৰচন জ্বালা
জোস্তা নাৰী প্ৰাণেৰ পিয়াৰী হীৰামনি কিচ্চকৰ শোভে
অমৰণ কালে সোমৰণ কৰিয়া
উদৰ ভৰিয়া পিয়ে, আদি।

দৰঙৰ মাৰৈ অথবা মনসা পূজাত গোৱা সুকনান্নী ওজাপালি কোঁচ ৰজাসকলৰ পৃষ্ঠপোষকতাত বিশেষ ধৰণে গঢ় লৈ উঠে। সুকবি নাৰায়ণ দেৱৰ মনসা গীতবোৰে পৰৱৰ্তী কালত সুকনানী ওজাপালিৰ সুকীয়া গীতলৈ পৰিণত হ'ল। এই সুকনানী ওজাপালিৰ বিকাশ আৰু প্ৰসাৰত দৰঙী মুছলমান সকলৰ যথেষ্ট অৱদান আছে। উল্লেখযোগ্য যে, দৰঙী ৰজাৰ দিনত মাৰৈ গাঁৱৰ পৰশু শেখ নামৰ এজন মুছলমান ওজাই ৰজাঘৰে আয়োজন কৰা মাৰৈ পূজাত সুকনানী ওজাপালি সঙ্গীত পৰিবেশন কৰি হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ বান্ধ নিকপ্‌কপীয়া কৰিছিল। এই বিষয়ে মহেশ্বৰ নেওঁগদেৱে 'পবিত্ৰ অসম' গ্ৰন্থত উল্লেখ কৰিছে এনেদৰে - সুকনানী গোৱা মুছলমান ওজাপালি সেইসময়ত পোৱা গৈছিল। ওজাবৰাচুক এখন মুছলমান ওজাৰ নামে বিখ্যাত গাওঁ। নামাজ পঢ়িবৰ সময়ত মুছলমান সকলৰ পকা বা কেঁচা ঘৰো বহুত কাললৈকে নাছিল। ১৮৮০ চন মানত জলকাদ আলি বা ছফি চাহীব নামে গুৱাহাটীৰ ফালৰ এজন মৌলানা আহি ইছলামৰ মূল নীতি প্ৰচাৰ কৰাৰ ফলত মুছলমান সকলে ডাঢ়ি ৰখা, গোস্ত খোৱা, খেৰ-বাহঁৰ মছজিদ সাজি নামাজ পঢ়া আদি পুণৰ আৰম্ভ কৰে। তাৰ উপৰি 'কালীয়াপাৰা' গাঁৱৰ মুছলমান কালীয়াই বিয়া, বৃষোৎসৰ্গ আদি ধৰ্মীয় অনুষ্ঠানত যোৰকালি বজোৱা আদি সত্য কাহিনী বিলাকেই বৃহত্তৰ দৰঙী অঞ্চলৰ হিন্দু, মুছলীম, বৌদ্ধ, বড়ো, ৰাভা সকলোৱে মাজত গঢ় লৈ উঠা সংস্কৃতি সমন্বয় আৰু ঐক্য-সংহতিৰ ঐতিহাসিক জলন্ত নিদৰ্শন ডাঙি ধৰে। আনহাতে মঙ্গলদৈ বুৰঞ্জীত উল্লেখ থকা মতে দৰঙী ৰজা চন্দ্ৰ নাৰায়ণে মোগলক পৰাভূত কৰিবলৈ আহোম পক্ষত যোগ দি শৰাইঘাটত মোগলক পৰাস্ত কৰি বহুতো মোগল সৈনিকক বন্দী কৰি মঙলদৈৰ 'মোগল বেচা' গাঁৱত দাস হিচাপে বিক্ৰী কৰে। এই মোগল সকলৰ পৰাই সম্ভৱতঃ কবীৰ ভনিত গীতবোৰ ব্যাস সঙ্গীতত সোমাই পৰে। মনসা তথা মাৰৈ পূজাত মুছলমানৰ হাছান-হোছেনৰ কৰুণ গীতবোৰ কি পদ্ধতিৰে সুকনানী

ওজাপালি গীতত সোমাই পৰিছে সেই কথা তলৰ ফাঁকি গীতেই প্ৰমাণ কৰিছে -

'শুন কমাৰ কেশাই হাচান-হোছেন দুইভাই
দিল্লী নগৰে হোৱে ৰাজা।
আমাৰ ৰাখোৱালক মাৰি ভাঙিলা ঘটৰ বাৰী
ভয়ে দিলা নও লক্ষ্য পূজা।'

(সুকনানী পদ্মাৱতী)

অবিভক্ত দৰঙৰ ব্যাস আৰু সুকনানী ওজাপালিৰ ৰাগ সঙ্গীতৰ লগত সাদৃশ্য থকা মুছলমান সকলৰ 'চেৰাঢেক' নামৰ লোককৃষ্টি বিধেও হিন্দু আৰু মুছলমানৰ সম্প্ৰীতিৰ কথাকেই সোঁৱৰাই দিয়ে। 'চেৰাঢেক' - মঙলদৈ তথা দৰং অঞ্চলৰ মুছলমান ভাইসকলৰ এক সুকীয়া লোককৃষ্টি। এই চেৰাঢেকৰ সুৰ বা ৰাগ-ৰাগিনী সুকনানী আৰু ব্যাহৰ ওজাপালিৰ ৰাগ-ৰাগিনীৰ সৈতে সাদৃশ্য আছে যদিও বিশেষভাৱে ব্যাহৰ ওজাপালিৰ ৰাগ-ৰাগিনীৰ সৈতেহে সাদৃশ্য পৰিলক্ষিত হয়। 'ঢেক' শব্দই এটাৰ পৰা আন এটালৈ গতি কৰা বুজায়। 'চেৰাঢেক' বোৰৰ সুৰ বা ৰাগিনীবোৰ এবাৰ উচ্চ আৰু এবাৰ নিম্ন সুৰত উঠা-নমা কৰি থাকে বাবে ইয়াক শুনিবলৈ শ্ৰুতিমধুৰ হয়। মঙ্গলদৈৰ বাহিৰে আন ঠাইত এই চেৰাঢেকৰ প্ৰচলন দেখা নাযায়। মঙ্গলদৈ তথা দৰঙী ৰজাৰ ৰাজ পৃষ্ঠপোষকতাত এফালে যিদৰে হিন্দু লোক-সংস্কৃতিৰ পূৰ্ণ বিকাশ হৈছিল, ঠিক তেনেদৰে আনফালে মুছলমান সকলৰ এই চেৰাঢেকো ৰাজপৃষ্ঠপোষকতাত ঠন ধৰি উঠিছিল। সেয়ে, মুছলমান সকলৰ তেনে গীতৰ ধৰ্মীয় প্ৰভাৱ ওজাপালিৰ ৰাগ-ৰাগিনীত পৰাতো তেনেই স্বাভাৱিক আৰু তেনে সাদৃশ্যৰ বাবেই পৰস্পৰে পৰস্পৰৰ লোক সঙ্গীতক শ্ৰদ্ধা কৰাৰ উপৰি সাংস্কৃতিক সমন্বয় গঢ়াত এই গীতবোৰে সহায় কৰি আহিছে।

'চেৰাঢেক' নামৰ এই গীতবোৰৰ প্ৰচলন কেনেদৰে হ'ল তাক জনা নাযায় যদিও সম্ভৱ কোনোবা মুছলমান ফকীৰে 'জিকিৰ' আৰু 'জাৰি' গীতৰ দৰে ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে ওজাপালিৰ ৰাগ-ৰাগিনীৰ সৈতে সাদৃশ্য থকা তেনে গীতবোৰৰ প্ৰচলন কৰে। দৰং অঞ্চলত ব্যাস সঙ্গীত আৰু ওজাপালিৰ পৰম্পৰা অতি প্ৰাচীন। সেয়ে, বহুকাল পিচত উদ্ভৱ হোৱা তেনে ওজাপালিৰ ৰাগ-ৰাগিনীৰ সাদৃশ্য থকাটোৱেই স্বাভাৱিক। ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে, মাৰৈৰ মুছলমান ওজা পৰশু শেখে সুকনানী ওজাপালি গাইছিল। সেয়ে, পৰৱৰ্তী 'চেৰাঢেক' নামৰ লোকসংস্কৃতিবিধত ওজাপালিৰ ৰাগ-ৰাগিনীৰ প্ৰভাৱ পৰিছিল। জিকিৰ আৰু জাৰি গীতত ইছলাম ধৰ্মৰ তত্ত্ব প্ৰকাশ পোৱাৰ দৰে এই চেৰাঢেকবোৰতো ৰাগ-ৰাগিনীৰ মাজেৰে ইছলাম ধৰ্মৰ মহত্ত্ব প্ৰকাশ হৈছে। যেনে -

(ক) পয়াৰ আল্লাৰ দৰগায় কহে উঠাইয়া হাত।
বালাতে নাযাত দেহ আপে পাকজাত।।
আৰ নাহি সবে দুখ হইন হয়ৰাণ।
মেহেৰ কৰহ আল্লা ৰহিম ৰহমান - আদি
(খ) আল্লা আল্লা বোলা ভাই নবীৰ নামে সাৰ
নবীৰ কালিমা পঢ়ি হৈয়া যাবা পাৰ
হজৰৎ আলিৰ বেটি ৰছুলৰ নাতী
আপোনাৰ হাতে মদফেৰা দিলা হাতী।।



ত্ৰিপদী ঢেক

তোৰো চাৰি ভাল নাৰী ঐ (আছে মোৰো ঘৰে)
হে হে ৰ হে হে হে ৰ হে হে
স্বপনতে আমাৰ কাযে ঐ (কৌলৈ গৈলা তুমি)
হে হে ৰ হে
এই কাৰণে তোমাৰ কাযে ঐ (আহি আছোঁ আমি)
হে হে ৰ হে
বান্দী যে কৰিবা আজি ঐ (আগিয়া খাতিৰে)
হে হে ৰ হে - ইত্যাদি (সংগৃহীত)

এই চেৰাঢেকবোৰত ইছলাম ধৰ্মৰ মহত্ত্ব প্ৰকাশ হলেও প্ৰয়োজনীয় কথা হৈছে দৰঙৰ বৃহৎ লোককৃষ্টিৰ সৈতে এইবোৰ একাকাৰ হৈ পৰাতো। সমাজৰ বিভেদকামী শক্তি আৰু গোষ্ঠীগত সংঘৰ্ষবোৰ আঁতৰ কৰিবলৈ সাংস্কৃতিক সমন্বয়ৰ অতীৱ প্ৰয়োজন। পৰস্পৰে পৰস্পৰৰ সাংস্কৃতিক ভাৱধাৰাক শ্ৰদ্ধাৰে গ্ৰহণ আৰু প্ৰচাৰ আৰু বিকাশত সহায় কৰাটোৱেই সাংস্কৃতিক সমন্বয় দৃঢ় কৰাৰ একমাত্ৰ উপায়।

এই মূল্যবান সাংস্কৃতিক সমন্বয় বৃহত্তৰ দৰঙৰ হিন্দু-মুছলমান, বড়ো, ৰাভা, খ্ৰীষ্টান সকলোৰে মাজত আজিও জীয়াই আছে আৰু ভৱিষ্যতে বিভেদগামী শক্তি সমূহক প্ৰতিহত কৰিবলৈ এই সাংস্কৃতিক সমন্বয় বাটকটীয়া স্বৰূপ হৈ পৰিব। শেষত ছিপাঝাৰ অঞ্চলৰ এগৰাকী লেখক ৰজনীকান্ত বৰুৱাৰ ভাষাৰে কব পাৰি - 'সঁচাকৈয়ে এই দৰং অঞ্চল সকলো ধৰ্মৰ সংস্কৃতিৰ মিলনভূমি হোৱাটো প্ৰণিধানযোগ্য। আজিওঁ এই দৰং অঞ্চলৰ থলুৱা হিন্দু-মুছলমান বৌদ্ধ, খ্ৰীষ্টান আদি বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত দ্বন্দ্ব-কাজিয়া বা বিভেদ সৃষ্টি হোৱা দেখা নাযায়। প্ৰত্যেকে প্ৰত্যেকৰ ধৰ্ম ৰক্ষা কৰি মিলা-প্ৰীতিৰে যুগ-যুগ ধৰি বসবাস কৰি থাকিব পৰাটো সঁচাকৈয়ে ভাবিবলগীয়া কথা।'

(দৰঙী কলা-কৃষ্টিৰ চমু কথা)

সহায়ক গ্ৰন্থ -
১) প্ৰবন্ধ সংকলন - গুৱাহাটী সাহিত্য চ'ৰা
১) পবিত্ৰ অসম - মহেশ্বৰ নেওগ
১) দৰঙী কলা-কৃষ্টিৰ চমু কথা - ৰজনী কান্ত বৰুৱা

◆ ◆ ◆

# সাম্প্ৰতিক কালৰ কবি আৰু কবিতা

ৰেৱকান্ত নাথ
স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

সাম্প্ৰতিক কালৰ অসমৰ কবি আৰু কবিতাৰ বিষয়ে কোৱা বৰ টান কাম। কলেও অসমীয়া কবিতাৰ প্ৰগতিবাদী ধাৰাৰ জন্মলগ্নৰ পৰা তাৰ বিকাশ আৰু বিবৰ্ত্তনৰ মাজেদি গঢ় লৈ উঠা বিভিন্ন স্তৰলৈ মনত পেলাব লগীয়া হয়। কাৰণ সাম্প্ৰতিক কালৰ কবিতাত যি ৰূপৰেখা আমি পাইছো পূৰ্ববৰ্তী কবিতাৰ পটভূমিতেই ই অংকুৰিত হৈ আছে। কবিতাৰ বিকাশ ক্ৰমৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি।

আধুনিক অসমীয়া কবিতাৰ আৰম্ভ হয় অমূল্য বৰুৱা, ভবানন্দ দত্ত, হেম বৰুৱা, নৱকান্ত বৰুৱা, খীৰোদ দত্ত, কেশৱ মহন্ত আজিত বৰুৱা প্ৰমুখ্যে আঙুলিৰ মুৰত লেখিব পৰা কেইজনমান কবিৰ প্ৰচেষ্টাত। দ্বিতীয় মহাসমৰৰ প্ৰতিক্ৰিয়া '৪২ চনৰ গণ বিপ্লৱ, সাম্প্ৰদায়িক সংঘৰ্ষ আদিয়ে অসমীয়া কবিতাত সামাজিক চেতনা আৰু সংস্কাৰৰ ভাৱনাৰে উজ্জিৱীত হৈছিল। তাৰ প্ৰতিফলন হৈছিল জয়ন্তী যুগৰ বিবৰ্ত্তনকামী কবি সকলৰ কবিতাত। যতি নাৰায়ণ শৰ্মাৰ সম্পাদিত আধুনিক অসমীয়া কবিতাত (১৯৪৬) নতুন চিন্তাৰ বাৰ্তাবাহক কবি সকলৰ কবিতা থুপাই থোৱা হৈছে। অমূল্য বৰুৱাৰ 'বেশ্যা', 'কুকুৰ' ভবানন্দ দত্তৰ 'পাউদাৰ', চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ 'ৰিক্সাবালা', অজিত বৰুৱাৰ 'হাতুৰী', খীৰেণ দত্তৰ 'কাঠ মিস্ত্ৰীৰ ঘৰ', কেশৱ মহন্তৰ 'চেৰেৰ কৈফৎ', নৱকান্ত বৰুৱাৰ 'এজন বন্ধুলৈ' হেম বৰুৱাৰ 'পূজা' আজি কবিতাই সেই সময়ত পঢ়ুৱৈ সমাজক বিশেষভাৱে প্ৰভাৱিত কৰিছিল। সেই সময়ছোৱা আছিল আধুনিক অসমীয়া কবিতাৰ বিকাশ বিবৰ্ত্তনৰ প্ৰাৰম্ভিক কাল। আটাইবোৰ কবিতাই সমান মান বিশিষ্ট নহলেও সামাজিক আৰু ঐতিহাসিক মূল্যৰ বাবেই কবিতাবোৰৰ গুৰুত্ব আৰু মহত্ব অপৰিসীম।

'জয়ন্তী' যুগৰ পিছত অসমীয়া আধুনিক কবিতাই ৰামধেণু যুগত পূৰ্বাপেক্ষা শক্তিশালী ৰচনাশৈলী আৰু চিঠিয়ে ভাব-অনুভূতিৰে কবিতাৰ গতি ধাৰাক আগুৱাই নিয়াত সহায়ক হৈ উঠে। কিন্তু প্ৰকৃততে ৰামধেণু যুগত অসমীয়া কবিতাৰ দুৱাৰ মুকলি কৰে দেৱকান্ত বৰুৱাই। এই দুৱাৰেদি প্ৰৱেশ কৰিলে জয়ন্তী যুগৰ চাৰিগৰাকী কবি - হেম বৰুৱা, নৱকান্ত বৰুৱা, অজিত বৰুৱা আৰু কেশৱ মহন্তই। কিন্তু ইয়াৰ পিছত আমি বিভিন্ন সাহিত্যিক সকলক লগ পাওঁ - হৰি বৰকাকতি, মহেন্দ্ৰ বড়া, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ৰাম গগৈ, বীৰেশ্বৰ বৰুৱা, দিনেশ গোস্বামী, নলিনীধৰ ভট্টাচাৰ্য্য, নিৰ্মলপ্ৰভা বৰদলৈ, নীলকান্ত ফুকন, হীৰেণ গোহাই, চৈয়দ আব্দুল মালিক, হোমেন বৰগোহাঞি, বীৰেন বৰকটকী, হীৰেণ ভট্টাচাৰ্য্যকে আদি কৰি বিভিন্নজন কবি সাহিত্যিক লগ পাওঁ। আধুনিক অসমীয়া কবিতাই ৰামধেণু যুগত কবিসকলৰ হাতত এক বৰ্ণাঢ্য ৰূপ পালে।

ৰামধেণু যুগৰ পৰৱৰ্তী কালত অসমীয়া কবিতাৰ গতিধাৰাৰ সোঁত সলনি হয়। পূৰ্বৰ কবিসকলৰ বুদ্ধিমত্তা বা বুদ্ধি প্ৰাধাণ্যৰ ঠাইত এই স্তৰৰ কবিসকলে কবিতাৰ গভীৰতাৰ অনুভূতিক কবিতাৰ উপজীব্য কৰি ললে। কবিতাৰ ৰচনা নীতি কিছু সলনি হ'ল। জনচিন্তাৰ লগত যে কবিতাৰ যোগসূত্ৰ আছে সেই কথা উপলব্ধি আছে, মানৱ চিন্তাৰ বহল পৰিধিত কবিসকলে বিচৰণ কৰিলে। মানবীয় মূল্যবোধ আৰু মানব অধিকাৰ প্ৰতিষ্ঠাত কবিসকলৰ ভিতৰত, ৰবীন্দ্ৰ সৰকাৰ, অৱণী চক্ৰৱৰ্তী, ৰবীন্দ্ৰ বৰা আৰু বিৰিঞ্চি ভট্টাচাৰ্য্যৰ নাম বিশেষভাবে উল্লেখযোগ্য।



ৰামধেণু যুগৰ কবিসকলৰ কেৱাজনেও হেম বৰুৱা সম্পাদিত 'পছোৱাত' কবিতা লিখিছিল। আধুনিক কবিতাৰ গতি প্ৰবাহত নৱ চিন্তাৰ বাৰ্তাবাহকৰূপে পছোৱাই ঢৌ তুলিছিল। কিন্তু আলোচনীখন দীৰ্ঘস্থায়ী নোহোৱাত তাৰ প্ৰভাৱ কাব্য জগতত অনুৰূপভাৱে প্ৰতিফলিত নহ'ল।

কবিতা সৃষ্টি অংগ চৰ্চাৰ এই পৰম্পৰা গত সাম্প্ৰতিক কালত আমি মনোজগতত সময়ে সময়ে লগপাই থকা প্ৰতিষ্ঠিত আৰু প্ৰতিশ্ৰুতি সম্পন্ন কবিসকল হল - সমীৰ তাঁতি, সমন্ত তাঁতি, ৰোহিণী কুমাৰ পাঠক, ৰাজেন্দ্ৰ নাথ বৰদলৈ, লক্ষেশ্বৰ শৰ্মা, বিপুলজ্যোতি শইকীয়া, ৰফীকুল হুছেইন, দিলীপ তালুকদাৰ, ত্ৰিলোক নাথ, গৌতম প্ৰসাদ বৰুৱা, নীলিম কুমাৰ, অজিত গগৈ কৌস্তুভমনি শইকীয়া, ইছমাইল হুইছেন, জিতেন শৰ্মা, চেনিৰাম গগৈ, ৰোহিনী কুমাৰ, শৰৎ বৰকটকী, নৰেণ তালুকদাৰ, প্ৰেম নাৰায়ণ নাথ, উদয় কুমাৰ শৰ্মা, গঙ্গামোহন .......... কুমাৰ অনুকুল দাস, মীৰা ঠাকুৰ, স্নিগ্ধাৰাণী গগৈ, অৰ্চনা পূজাৰী, আদি বিভিন্ন কবিসকলে বিভিন্ন আলোচনীত কবিতা ৰচনা কৰি সাম্প্ৰতিক কাব্য সাহিত্যলৈ অৰিহণা আগবঢ়াইছে।

সমীৰ তাঁতিৰ 'শোকাকুল উপত্যকা', ৰাজেন্দ্ৰ নাথ বৰদলৈৰ 'মাটিৰ প্ৰেমত মানুহ', চৈয়দ আব্দুল হাকিমৰ 'বিশেষৰূপ দৰ্শন' কবীন ফুকনৰ 'এনেকৈয়ে দিন এনেকৈয়ে ৰাতি', বিপুলজ্যোতি শইকীয়াৰ 'মহাকাব্যৰ প্ৰথম পাত' জনজিৎ সিঙৰ 'শব্দৰ সন্ধানত', শৰৎ বৰকটকীৰ 'পৰাণ নিগমে' ৰফিকুল হুছেইনৰ 'শৰবিন্দু আকাশ', নীলকান্ত শইকীয়াৰ 'সোণালী শইচৰ ছেই' ইছমাইল হুছেইনৰ 'জীৱন আৰু মানুহ বিষয়ক' কৌস্তুভমনি শইকীয়াৰ 'অন্তৰঙ্গ স্তৱক' প্ৰেম নাৰায়ণ নাথৰ 'সময় অসময় দুঃসময়', ৰোহিণী কুমাৰৰ 'কঠিন পথাৰৰ সুবাস' কনজিৎ দাসৰ 'কঠিন শোকৰ তাম্ৰলিপি', উদয় কুমাৰ শৰ্মাৰ 'তেজৰ তলৰ বহী', মীৰা ঠাকুৰৰ 'তেজত ফুলত ওঠত', সুস্মিত্ৰা গোস্বামীৰ 'সেউজীয়া কাইটৰ সুথৰি' আদি লেখিয়া মানবিশিষ্ট কাব্য গ্ৰন্থ আমি সাম্প্ৰতিক কালত পাইছো।

এইখিনিতে এটা উল্লেখযোগ্য কথা যে সাম্প্ৰতিক কালৰ কবিতা কি ইয়াৰ বৈশিষ্ট্য দেখিবলৈ পাম সেইবোৰ হল - ১) পৰিবৰ্ত্তিত দৃষ্টিভংগী, ২) বিষয় বস্তুৰ বৈশিষ্ট্য আৰু বিস্তৃতি, ৩) অনুভৱৰ আকুণ্ঠ প্ৰতিফলন, ৪) প্ৰকাশভঙ্গীৰ সৰলীকৰণ, ৫) নৱৰূপত ৰোমান্টিক চেতনাৰ ৰূপায়ন (উদাহৰণ - জ্ঞানন্দ শৰ্মা পাঠকৰ কবিতা), ৬) লোক-সংস্কৃতিৰ পৰা সমল গ্ৰহণ আৰু তাৰ আধাৰিত নতুন ৰচনাশৈলীৰে নৱজীৱনৰ অভিব্যক্তি, ৭) সামাজিক দায়বদ্ধতা, ৮) জনজীৱনৰ লগত ভাৱনাত্মক সংযোগ, ৯) মানৱ প্ৰগতিৰ সম্ভাৱনা আৰু মহত্বৰ ওপৰত গুৰুত্ব আৰোপ।

অৱশ্যে সাম্প্ৰতিক কালৰ কবিসকলৰ কবিতাত যদিওবা বহুটো কবি প্ৰতিভা প্ৰতিফলিত হৈছে তথাপিও কবি সকলে কিছুমান ক্ৰুতিৰ পৰা মুক্ত নহয় - ১) অধ্যয়ন, অনুশীলন দুখ লগাকৈ সীমিত, ২) অভিব্যক্তিতকৈ অনুকৰণৰ প্ৰতি বেছি আগ্ৰহ, ৩) ভাৱৰ বিস্তৃতি অনুযায়ী গভীৰতাৰ অভাৱ, ৪) শব্দৰ স্বেচ্ছাচাৰী প্ৰয়োগ, ৫) হৃদয়তকৈ মগজুক অধিক প্ৰাধাণ্য দান আদিয়ে প্ৰধান।

সাম্প্ৰতিক কালৰ কবিসকলৰ কবিতাত অধিক সজীৱতা আৰু গতিশীলতাৰ উপলক্ষত কবিতাৰ পৰিবৰ্ত্তনৰ থল থাকিলেও এটা কথা কব লাগিব যে কবিতা অভিযানৰ সতীৰ্থসকলৰ প্ৰচেষ্টাত সাম্প্ৰতিক কালৰ কবিতা সৃষ্টি আৰু চৰ্চাৰ যি এক পৰিবেশ জাগৰণ সৃষ্টি হৈছে সি অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত অভূতপূৰ্ব। সাম্প্ৰতিক কালত অসমীয়া ভাষা সাহিত্যত আনুমানিক তিনি হাজাৰবো অধিক লেখক লেখিকাই কবিতা ৰচনাত মনোনিবেশ কৰিছে। এনে স্থিতি ভাৰতত আন প্ৰান্তীয় ভাষা সাহিত্যত আছে নে নাই তাক কব নোৱাৰো; কিন্তু বৰ্তমানে অসমীয়া সাহিত্যত সাম্প্ৰতিক যুগটোৱে এক বিশেষ ভাব প্ৰাধাণ্য বিস্তাৰ হোৱা দেখা যায়। জ্ঞানপীঠ বঁটা বিজয়ী হিন্দী কবি নৰেশ মেহতাৰ কথা মনত ৰাখি সাম্প্ৰতিক কবিসকলে কাব্য চৰ্চাত প্ৰতি হলে বিশ্ব কবি সভাত আমন্ত্ৰিত হৈ এদিন কব পাৰিব 'কবিতাৰ মৃত্যু নাই, কবিতা অমৰ"। ◆◆

◆ বিভিন্ন গ্ৰন্থৰ পৰা সংগৃহীত

# মুকাভিনয়ৰ পম খেদি

চিত্তৰঞ্জন শৰ্মা
স্নাতক ৩য় বৰ্ষ

মুকাভিনয়ৰ উৎপত্তি কেতিয়া হৈছিল তাৰ বিষয়ে সঠিক তথ্য দেখা পোৱা নাযায়, যদিও সৃষ্টিৰ আৰম্ভণিৰ পৰাই মুকাভিনয়ৰ উৎপত্তি হোৱা বুলি ক'ব পাৰি। কাৰণ পৃথিৱীত যেতিয়া মানৱৰ জন্ম হয়, তেতিয়া মানুহৰ কোনো ভাষা নাছিল। সেই সময়ত মানুহে বিভিন্ন অঙ্গি-ভঙ্গিৰ দ্বাৰা এজনে আনজনক ভাষা বুজাইছিল। সেই ভাষাটোকে "মুক" ভাষা বুলি কোৱা হয়।

মুক ভাষাৰ প্ৰতিশব্দ "Gesture ", এই শব্দটো লেটিন শব্দ "Gevtres "ৰ পৰা আহিছে। "Gevtres " হৈছে To move or to act to convey a feeling or a mimitic expression through the action of hand and eyes." মুকাভিনয়ৰ ইংৰাজী শব্দ "Mime " শব্দটো ফৰাচী শব্দ। ফৰাচীতে একক মুকাভিনয়ৰ জন্ম হয়। উনবিংশ শতাব্দীৰ এল. এন. ক্যাণ্টৰ মুক নাটক "প্ৰেস্তিগ" ৰ পৰাই পৃথিৱীত মুকাভিনয়ৰ সূচনা হয়। সেই সময়ৰ শ্ৰেষ্ঠ শিল্পী ফৰাচী দেশৰ 'দেবুৰো'। ইয়াৰ পিছত ক্ৰমে 'ঐতিয়েন দ্যক্ৰু', 'জ্যা লুই বাৰো' আৰু মাৰ্সে মাৰ্সোয়ে জনপ্ৰিয়তাৰ দিশলৈ আনে। বৰ্তমান মাৰ্সে পৃথিৱীৰ শ্ৰেষ্ঠ মুকাভিনেতা।

ভাৰত বৰ্ষত ১৯৫৬ চনত প্ৰথম একক মুকাভিনয়ৰ চেষ্টা চলে। ১৯৫৮ চনত বিখ্যাত মুকাভিনেতা "মিয়েলো জুল্লা" ভাৰতলৈ আহি মুকাভিনয় প্ৰদৰ্শন কৰে। বৰ্তমান ভাৰত বৰ্ষৰ মুকাভিনয়ৰ পথ প্ৰদৰ্শক হিচাপে যোগেশ দত্তৰ নাম উল্লেখ কৰিব পাৰি। অসমতো মইনুল হকৰ অফুৰন্ত চেষ্টাৰ বলত মুকাভিনয়ে ঠন ধৰি উঠিছে। মইনুল হক অসম আৰু ভাৰতৰ উপৰিও কানাডা, ফ্ৰান্স আদি দেশতো সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে।

মুকাভিনয়ত সচৰাচৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা মুদ্ৰা প্ৰয়োগ কৰা দেখা যায়। বিশেষকৈ Illusion ৰ ওপৰত গুৰুত্ব দিয়া হয়, যাতে অভিনেতাগৰাকীৰ কাৰ্য প্ৰণালীটো জীৱন্ত হৈ উঠে। যেনে — চাৰ্ট পিন্ধা, চাৰ্টটো নাই, কিন্তু অঙ্গি-ভঙ্গি আৰু হাত সঞ্চালনৰ দ্বাৰা বুজা যায় যে চাৰ্টটো পিন্ধা বা খোলা, চাৰ্টটো হাত দীঘল নে চুটি আদি দৰ্শকে বুজি পায়। ঠিক তেনেকৈ দেৱালত ধৰি যোৱা, পানী খোৱা, খোজ কঢ়া, দৌৰা, ৰছীটনা, টেবুল বা চকীত বহা, ঠেলি নিয়া আদি বিশেষভাৱে দেখুৱাব পৰা যায়। মুকাভিনয়ত খোজৰ প্ৰাধান্য বেছি। সাধাৰণতে মুকাভিনয়ৰ খোজ ২৩ প্ৰকাৰৰ। তাৰ ভিতৰত (১) Soldier walking (২) Ladies walking (৩) Wake walking (৪) General walking (৫) Forward walking (৬) বিৰক্তি বা হতাশভাৱে যোৱা আদি। ইয়াৰ উপৰিও কুৱাৰ পৰা পানী তোলা, শুই শুই Phone ত কথা পতা, Breakfast কৰা, বেলেগ ব্যক্তিৰ লগত কথা পতা, চাহ খোৱা আদি



অঙ্গি-ভঙ্গি মুকাভিনয়ত দেখা পোৱা যায়।

মুকাভিনয়ৰ শিল্পীয়ে তাৰ কল্পনাৰ ৰূপ দি নিজৰ অভিৰুচিৰ ওপৰত নিৰ্ভৰ কৰি দৈনন্দিন জীৱনত ঘটা ঘটনাৰ হুবহু মুক অভিনয় কৰি দেখুৱাব পাৰে, আৰু তাৰ বাবে শিল্পীজনৰ প্ৰয়োজন Observation আৰু Concentration ৰ। ইয়াৰ উপৰিও মুকাভিনয়ৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিবলগীয়া দিশসমূহ হৈছে (1) Make up (2) Dress আৰু (3) Music .

মুকাভিনয়ৰ Make up অন্য সকলো কলাতকৈ বেলেগ। কাৰণ ইয়াৰ গোটেই ঘটনাটো দৃষ্টিৰ ওপৰত নিৰ্ভৰশীল, সেয়ে মুখখন বগা কৰি চকুকেইটা কলা কৰি দিয়া হয়। সাধাৰণতে Mime ৰ পোচাক Skin tight হোৱা আৱশ্যক। Mime ত দেহৰ সঞ্চালনৰ দ্বাৰা আৰু মুখৰ অঙ্গি-ভঙ্গিৰ দ্বাৰাহে ঘটনা বুজোৱা হয়, ইয়াত কোনো Dialogue ব্যৱহাৰ কৰা নহয়। সেইবাবে Mime ৰ Music Continuous ত ৰখা হয় আৰু পৰিস্থিতি লৈ Music সলনি কৰা হয়।

মুকাভিনয়ত বেদনাৰ ভঙ্গি দেখুৱালে সকলোৱে কান্দি উঠে আৰু হাঁহি উঠা ভঙ্গি দেখুৱালে সকলোৱে হাঁহি উঠে। মুকাভিনয়ে পৃথিৱীৰ বিভিন্ন জাতি তথা ভাষা ভাষি লোকৰ মাজত ভাব বিনিময় কৰাত সহায় কৰে। সেয়েহে মুকাভিনয়ক পৃথিৱীৰ সহযোগী ভাষা বুলিব পাৰি।

শেষত এই মুকাভিনয়ক যাতে সকলোৱে আদৰি লয়, আৰু পৃথিৱীৰ পৰা হেৰাই নাযায় তাৰ কামনাৰে .....।

(সহায় লৈ)

◆ ◆ ◆

*তুমিয়েই তোমাৰ ভাগ্যৰ গৰাকী, আন কোনোৱেই তোমাক সহায় কৰিব নোৱাৰে। যি নিজকে সহায় কৰে তেওঁক ঈশ্বৰেও সহায় কৰে।*

\- বুদ্ধদেৱ

*ভোকাতুৰ কুকুৰ এটাক ঘৰলৈ আনি খুৱাই-বুৱাই নোদোকা কৰি তোলা, সি তোমাক কেতিয়াও নেকামোৰে আৰু সেইটোৱেই কুকুৰ আৰু মানুহৰ মাজৰ মূল পাৰ্থক্য।*

\- মাৰ্ক টোৱাইন

*কথা কমকৈ কৰা, কাম বেছিকৈ কৰিবা আনক উপদেশ কমকৈ দিবা। সজলোকৰ উপদেশ বেছিকৈ শুনিবা তোমাৰ মঙ্গল হব।*

\- চক্ৰেটিছ

# মঙলদৈ অঞ্চলত ফকৰা যোজনাৰ ব্যৱহাৰ

**গৌতম কুমাৰ বৰুৱা**
কাৰ্যালয় সহায়ক

মঙলদৈ অঞ্চলৰ পুৰণি মানুহখিনিৰ মুখত বহুতো ফকৰা যোজনাৰ ব্যৱহাৰ হোৱা দেখা গৈছিল। আজি আমি এই প্ৰৱন্ধৰ জৰিয়তে কিছু ব্যক্ত কৰিব ওলাইছো। যিবিলাক কথা হয়তো আজিৰ ডেকা সকলৰ মুখত শুনিবলৈ পোৱা নাযায়। উদাহৰণ স্বৰূপে কেইটামান ফকৰাৰ কথা ইয়াত আলোচনা কৰা হ'ল। “বৰ বৰ ঘোৰাই নাপায় ঘাঁহ বটুৱা ঘোৰাই বিচাৰে বুট মাত”। ইয়াৰ দ্বাৰা এই কথাখিনিকে বুজাব খোজিছিল যে সাধাৰণ মানুহে তেওঁৰ যোগ্যতা অনুসাৰে পোৱা সুবিধাখিনিৰ উপৰিও আৰু বেছি আশা কৰাত আন মানুহে তেওঁক এইদৰে উপলুঙা কৰিব বিচাৰিছিল। ঠিক সেইদৰে 'ইন্দ্ৰৰ ৰাজসভাত ফেঁচাই উৰুলি দিয়া' বুলি ব্যাখ্যা কৰিছিল যেতিয়া এজন সাধাৰণ লোকে বিজ্ঞ জ্ঞানী লোকৰ আগত নিজকে জনা দেখুৱাই ডাঙৰ ডাঙৰ কথা কৈছিল। আনহাতে হেৰোৱা বস্তু বিচাৰি ফুৰাৰ ক্ষেত্ৰত কেতিয়াবা এনেকুৱা ফকৰাৰ ব্যৱহাৰ হোৱা দেখা যায় যে 'থৈছে শেতেলীৰ তলত বিচাৰেই মহৰীয়া দলত'। ইয়াৰ অৰ্থ হ'ল বস্তুটো নিজেই সহজতে থৈ আন ঠাইত বিচাৰি হাবাথুৰি খাই ফুৰিছে। ইয়াত শেতেলী তলত মানে সহজতে থোৱাৰ কথা কোৱা হৈছে আৰু মহৰীয়া দলৰ কথা বহল অৰ্থত ব্যৱহাৰ কৰিছে। কাৰণ মঙলদৈ অঞ্চলৰ ভিতৰতে মহৰীয়দল পথাৰখন এখন ডাঙৰ পথাৰ। কোনো কোনো সময়ত আমি খবৰ আদিৰ ক্ষেত্ৰতো ইয়াৰ ব্যৱহাৰ দেখা পাওঁ। উদাহৰণ স্বৰূপে 'ৰৌটোকে টৌটো', 'ঢোলৰ কোবতকৈ ওঠৰ কোব ডাঙৰ' আদি। অৰ্থাৎ সৰু খবৰ এটিয়ে ইজনৰ মুখৰ পৰা সিজনৰ মুখলৈ গৈ এটি ডাঙৰ খবৰ যেন হৈ পৰে। অথচ খবৰটিৰ কোনো গুৰুত্ব নাই। কেতিয়াবা আকৌ অবাবত সময় নষ্ট হোৱা বাবে এনেকুৱা ফকৰাৰ ব্যৱহাৰ হোৱা দেখা যায় যে 'হাল মেলি শিয়াল খেদাত নাই'। ইয়াৰ মানে এইটোকে কবলৈ গৈছে যে কামটো হোৱাৰ পিছত এনেয়ে আৰু কথাৰ মহলা মাৰি সময় নষ্ট কৰাৰ প্ৰয়োজন নাই। সেইদৰে 'হালোৱা লৰুৰ অভাৱত হালখতি নহয়'। অৰ্থাৎ সাধাৰণ এটি বস্তুৰ অভাৱত হবলগীয়া কামটো বন্ধ নাথাকে। এইদৰে নীতিবচন আদিৰ ক্ষেত্ৰতো ইয়াৰ ব্যৱহাৰ দেখা গৈছিল। যেনে — 'ভোজনৰ আগত আৰু মেলৰ পাছত যাবা'। খাবলৈ যাওঁতে আগবাঢ়ি যোৱাৰ কথা কৈছিল। কিয়নো শেষৰ ফালে হয়তো বস্তুৱে নাটিব পাৰে আৰু পুণৰ যোগাৰ কৰি খাব লওঁতে নিজৰ সময়ো নষ্ট হ'ব পাৰে। আনহাতে মেলৰ শেষত গৈ উপস্থিত হলে আগতে হৈ যোৱা সিদ্ধান্তকে হয়ভৰ দি দোষমুক্ত হ'ব পৰা যায়। কাৰণ মেলৰ সিদ্ধান্ত দিওঁতাজনক দোষী বিবেচিত জনে বেয়া পোৱাৰ সম্ভাৱনাই বেছি। লাজকুৰীয়া আদি স্বভাৱৰ কাৰণে কেতিয়াবা কোৱা হয় 'ভাঙিলে বেল খাব পায় নাভাঙিলে বেল হাতে হাতে যায়'। যি সকল লোকে আচল কথাটো খুলি কব নোৱাৰে তাৰ ক্ষেত্ৰত এই ফকৰা কোৱা হয়। কিয়নো কথাখিনি ক'ব নোৱাৰা বাবেই হয়তো শেষত গৈ কাৰ্যসিদ্ধি নহয়। এইদৰে কেতিয়াবা আকৌ কোৱা হয় 'উহাতকৈ আলোৱাৰহে মতমতি বেছি'। ইয়াৰ দ্বাৰা এইটো বুজাইছিল যে শক্তি সামৰ্থ থকাজনতকৈ শক্তি নোহোৱাজনেহে সকলোৰে আগত বৰ মতা হৈ দেখুৱাব বিচাৰে। সেইদৰে আকৌ কৃপণালি কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা ফকৰা হ'ল – 'কুঠাৰৰ জলঙা নমনা, বেজিৰ জলঙা মনা', 'আঞ্জাত নেদেই লোণ সনাই পোতোকাই যায় তিনিগুণ'। কেতিয়াবা বৃহৎ লোকচান এটিৰ বাবে অকণো কুণ্ঠাবোধ নকৰে। অথচ সামান্য লোকচান এটিকে বৰ



ডাঙৰ ক্ষতি বুলি গণ্য কৰে। কোনো কোনো ক্ষেত্ৰত আকৌ কাম এটি সিদ্ধি হোৱাই নাই অথচ হোৱাৰ আশাত বহুতো জল্পনা কল্পনা কৰিছে। এই ক্ষেত্ৰত আমি এনেকুৱা ফকৰা ব্যৱহাৰ হোৱা দেখা পাওঁ যে 'গছত কঠাল ওঠত তেল নাখাওতেই সেল বেল'। এইদৰে ফাকি দি ধৰা পৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা ফকৰা হ'ল 'হাঁহ চোৰৰ পাখাই চিন কঠাল চোৰৰ আঠাই চিন' অৰ্থাৎ প্ৰকৃত দোষীজনে যিমানে লুকুৱাব নিবিচাৰক সি ধৰা পৰাৰ সম্ভাৱনাই বেছি।

সেয়ে এই ধৰণৰ ফকৰা যোজনা মঙলদৈ অঞ্চলৰ পুৰণি মানুহখিনিৰ মুখে মুখে শুনিবলৈ পোৱা গৈছিল। তাৰোপৰি 'বহিবলৈ দিওঁতে শুবলৈ বিচৰা', 'গোজেই বৰগছ হোৱা' আদি ফকৰা এই অঞ্চলৰ মানুহৰ মাজত ব্যৱহাৰ হোৱা দেখা যায়। বিপদত পৰাজনক অকণমান সহায় কৰিলে যি গোটেই সুবিধাকণকে বিচাৰে অথবা সুবিধাকণ লৈ সহায় কৰোতাজনকহে ওলোতাই বিপদত পেলাবলৈ চেষ্টা কৰে তেনে ক্ষেত্ৰত ওপৰৰ ফকৰাৰ ব্যৱহাৰ পৰিলক্ষিত হয়। মঙলদৈ অঞ্চলৰ গাঁৱলীয়া লোক সকলে সমাজত মেল আদিৰ বিচাৰ কৰি কেতিয়াবা দোষীজনৰ পৰা ভোজ ভাত আদি খোৱা দেখা যায়। এই ক্ষেত্ৰত তেওঁলোকে 'খাহীৰ মুৰত জনাৰ' বুলি এফাকি ফকৰা ব্যৱহাৰ কৰে। অৰ্থাৎ সামান্য জৰিমনা দণ্ড হিচাপে লৈ দোষীজনৰ পৰা খাহী এহাল মাৰি ভোজভাত খালেই দোষীজনে বিচাৰ পায়। সেইদৰে কামৰ সময় পাৰ হৈ গ'ল অথচ কামটো কৰিবলৈ যা-যোগাৰ একো হোৱাই নাই, তেনে ক্ষেত্ৰত কোৱা হয় 'কোডাল শালোতে মাহৰ বতৰ গ'ল'। এইদৰে অনেক ফকৰা যোজনা মঙলদৈ অঞ্চলৰ মানুহৰ মুখে মুখে আছিল। কিন্তু ইয়াৰ কোনো লিখিত তথ্য নাই। উদাহৰণ স্বৰূপে আৰু কেইটিমানৰ বিৱৰণ দাঙি ধৰা হ'ল — 'যাবত ছোৱালী তাবত কঠিয়া বিধাতাৰ নিয়ম নাযায় চাৰিয়া'। এই ফকৰাৰে নিজৰ কৰ্মফলৰ বাবে ভাগ্যক ধিয়াই শান্তনা লৈছে। 'আছেই গৰু নাবাই হাল হোৱাতকৈ নোহোৱাই ভাল'। ইয়াৰ দ্বাৰা এইটোকে কোৱা হৈছে যে সকলো আছে কিন্তু তাৰ দ্বাৰা একোৱে কাম নহয়। 'বাহিৰত চুৰিয়াৰ ফেৰ ভিতৰত ঢকুৱাৰ বেৰ'। বৰ মতা বোলাই বাহিৰত ঘূৰি ফুৰিব অথচ নিজৰ ঘৰখনকে পৰিচালনা কৰিব নোৱাৰা লোকৰ ক্ষেত্ৰত এনেকুৱা ফকৰা ব্যৱহাৰ কৰা হৈছিল। ঠিক তেনেদৰে এই ফকৰাকে আৰু কোৱা হৈছিল 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি'।

অবাবত সময় নষ্ট কৰি খুব কৰ্মব্যস্ততা দেখুৱাই ঘূৰি ফুৰা লোকৰ ক্ষেত্ৰত এইদৰে কোৱা হৈছিল 'হালবায় ৰাতিৰপেৰে খাবা ঢুকাই কাতিৰপেৰে'। কিয়নো এইসকল লোকৰ দুবেলা দুমুঠি খোৱাৰ চিন্তাই আছিল বেছি। এনে ধৰণৰ ফকৰা যোজনা জ্ঞানী লোক সকলে উত্তৰ পুৰুষ সকলৈ সকিয়নি হিচাপে ব্যৱহাৰ কৰিছিল। 'খাই কাণশালা গছত উঠিল কাঠি চেলেকাৰ মৰণ মিলিল'।

আগতেই কোনো দুষ্ট লোকে কৰি থৈ যোৱা বেয়া কামৰ বাবে পিছত উপস্থিত হোৱা জনকে সন্মুখত পাই দোষ জাপি দিয়াৰ ক্ষেত্ৰত এই ফকৰা যোজনা উল্লেখযোগ্য। সেইদৰে 'কেৰ্কেটুৱাই তামোল খাই নেউলক বান্ধি কোবাই'। যি চোৰ সি সুবিধা বুজি চোৰ কৰে। গতিকে সমাজত মেল পাতি সময় নষ্ট কৰা তাৰ উচিত নহয়। কিয়নো সি সেই সুবিধাকণকে ল'ব লাগে। সেয়ে 'চোৰক মেলে নুশুৱাই' আদি ফকৰা এই অঞ্চলত বিৰাজমান।

'সাঙে সুধা বাসুদেউ পুজা', 'বান ভাঙিলি বৰিয়া উৰ্দি', 'গালো বালো খোলাগুটিৰ তাল'। সাতে সোতৰে আমিও সামৰণিত আমাৰ প্ৰৱন্ধত হৈ যোৱা ভুলৰ বাবে কৰযোৰে ক্ষমা বিচাৰি মেলানি মাগিছোঁ।

◆ ◆ ◆

# প্ৰশাসনিক স্তৰত দুৰ্নীতি আৰু জন-জীৱনত ইয়াৰ প্ৰভাৱ ঃ

পাৰুল বৰা
স্নাতক ৩য় বৰ্ষ

ভাৰতবৰ্ষত দেখা বিভিন্ন সমস্যাৰ ভিতৰত ৰাজহুৱা জীৱনত দুৰ্নীতি সাম্প্ৰতিক কালত এক ভয়াবহ সমস্যা। পৃথিৱীৰ ভিতৰতেই দুৰ্নীতি পৰায়ণ দেশ সমূহৰ প্ৰথম দহখনৰ ভিতৰত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ হোৱাটোও তাৎপৰ্যপূৰ্ণ। তাহানি দিনতে মহাভাৰতৰ পিতামহ ভীষ্মই এবাৰ ৰজা যুধিষ্ঠিৰক কৈছিল —

অৰ্থস্য পুৰুষো দাসো দায়ত্বৰ্থো  ন কস্যচিৎ
ইতি সত্যং মহাৰাজ বদ্ধশ্চাৰ্থেশ্চ কৌৰৱঃ ।

অৰ্থাৎ "হে মহাৰাজ। মানুহ অৰ্থৰ দাস, কিন্তু অৰ্থ কাৰো দাস নহয়। ই  অতি সত্য বাক্য বুলি জানিবা। কাৰণ চোৱা, কৌৰৱ সকলে অৰ্থৰ দ্বাৰা মোক বশ কৰি ৰাখিছে ।"

গতিকে দেখা যায় যে প্ৰাচীন কালৰে পৰাই  এই ভেটি লোৱা বা দিয়া ব্যৱস্থাটো চলি আহিছে। অৱশ্যে তেতিয়া ইয়াৰ পৰিধি একেবাৰেই সীমিত আছিল কিন্তু কালাতিক্ৰমৰ লগে লগে ইয়াৰ পৰিধি আৰু পৰিসৰ ক্ৰমান্বয়ে বৃদ্ধি পাব ধৰিছে আৰু বৰ্তমান সময়ত Corruption শব্দটো সকলোৰে সুপৰিচিত হৈ পৰিছে। আনহাতে এই ভেটি খোৱা ব্যৱস্থাটোৱে সামাজিক, অৰ্থনৈতিক,  ধাৰ্মিক, ৰাজনৈতিক, প্ৰশাসনিক আদি সকলো দিশকে সাঙুৰি লৈ এই একবিংশ শতিকাৰ মানুহৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছে।

দুৰ্নীতি বুলিলে ব্যক্তিয়ে প্ৰত্যক্ষ বা পৰোক্ষ স্বাৰ্থ সিদ্ধিৰ বাবে নিজস্ব নিৰ্ধাৰিত কৰ্তব্য কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰাটোকে বুজায়। ৰাজহুৱা দায়িত্বৰ প্ৰতি দায়বদ্ধ হৈ কোনো ব্যক্তিয়ে নিজস্ব ভূমিকা পালন কৰাৰ ক্ষেত্ৰত স্ব - স্বাৰ্থৰ বাবে আনৰ পৰা ধন লৈ নীতি বহি ঃ ৰ্ভূতভাৱে আনৰ কাম কৰি দিয়াটোকে দুৰ্নীতি বুলি কোৱা হয়। অৱশ্যে ব্যাপক অৰ্থত কেৱল ধন লোৱাটোৱেই  দুৰ্নীতি নহয়। ধনৰ উপৰিও দুৰ্নীতিয়ে অন্য কিছুমান দিশো অন্তৰ্ভূক্ত কৰে। নিজৰ ন্যস্ত স্বাৰ্থ পূৰণ কৰিবৰ কাৰণে কোনো কোনো ব্যক্তিয়ে যদি সংশ্লিষ্ট বিষয়ত নগদ ধন অথবা অন্য কোনো ধৰণৰ সা-সামগ্ৰী উপহাৰ দিয়ে তাকো দুৰ্নীতিৰ ভিতৰত অন্তৰ্ভূক্ত কৰা হয়। সেয়ে দেখা গ'ল যে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে কোনো ব্যক্তিয়ে তেওঁৰ ন্যস্ত কৰ্তব্যত অৱহেলা কৰাটোৱে দুৰ্নীতি, অপ্ৰিয় হলেও এইটো সত্য যে অধিক ক্ষমতাশালী হলে অধিক দুৰ্নীতিত লিপ্ত হয় — "The more powers one gets the more rapidly he moves towards corruption". দুৰ্নীতিপৰায়ন ব্যক্তিয়ে আনকি নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে চৰকাৰী নিৰ্দেশনা আৰু আইন ভংগ কৰিবলৈয়ো কুণ্ঠাবোধ নকৰে। বৰ্তমান বস্তুবাদী সমাজত যশস্যা, সন্মান, ক্ষমতা, মৰ্যদা লাভৰ হাবিয়াসৰ লগতে ধন সম্পদৰ লিপ্সাই সকলো ব্যক্তিকে আদৰ্শচ্যুত কৰি দুৰ্নীতিত নিমজ্জিত কৰাইছে।



অৱশ্যে উল্লেখ কৰাটো উচিত হব যে উৎকোচ ল'ব পৰা তুলনামূলকভাৱে আটাইতকৈ সুবিধাজনক বিভাগটোৱেই হৈছে প্ৰশাসনিক বিভাগ। মন্ত্ৰীৰ পৰা উচ্চপদস্থ বিষয়ালৈকে, কেৰাণীৰ পৰা চকীদাৰলৈকে সকলোৱে আজি কালি কেৱল মাত্ৰ উৎকোচৰ বিনিময়তহে কাম কৰে।

সাম্প্ৰতিক কালত দেশৰ বিভিন্ন ক্ষেত্ৰ পুংখানুপুংখ ভাৱে অধ্যয়ন কৰিলে ৰাজনৈতিক ক্ষেত্ৰখনতেই সৰ্বাধিক দুৰ্নীতিয়ে গা কৰি উঠা দেখা যায়। ভাৰতবৰ্ষৰ ৰাজনীতি বুলি কলে এক দুৰ্নীতিপৰায়ণ ব্যৱস্থাহে স্পষ্টভাবে পৰিস্ফুট হয়। ৰাজনীতিত অংশ লোৱা নেতা পালিনেতা সকলে ৰাইজৰ প্ৰতিনিধি হিচাবে নিৰ্বাচিত হোৱাৰ পিছত লাভ কৰা ক্ষমতাৰ জৰিয়তে প্ৰথমে নিজৰ অৰ্থনৈতিক দিশটো উন্নত কৰাৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰে। ভাৰত বৰ্ষত যিবিলাক অক্ষমনীয় দুৰ্নীতি সংঘটিত হৈছে, সেই সকলোবিলাক দুৰ্নীতিতে দেশৰ আগশাৰীৰ ৰাজনৈতিক নেতা সকল জৰিত আছে। তাৰে ভিতৰত বফৰ্চ কেলেংকাৰীত প্ৰয়াত ৰাজীৱ গান্ধী, সাৰৰ কেলেংকাৰীত প্ৰাক্তন প্ৰধান মন্ত্ৰী পি, ভি, নৰসিংহ ৰাও, এল,অ,চি, কেলেংকাৰীত অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, দূৰদৰ্শনৰ ক্ৰয় কেলেংকাৰীত তামিলনাডুৰ জয়াললিতা আদি জৰিত থকাৰ উপৰিও হাওঁলা, শ্বেয়াৰ আদি বিভিন্ন কেলেংকাৰীত বিভিন্ন ৰাজনৈতিক নেতা জৰিত আছিল। আনহাতে ৰাজনৈতিক নেতা সকলে চাকৰিৰ নিযুক্তি, ব্যৱসাৰৰ অনুজ্ঞাপত্ৰ প্ৰদান, বিত্তীয় সাহায্য আদিৰ সন্দৰ্ভত ভয়াবহ দুৰ্নীতিত নিমজ্জিত হৈ নিজৰ স্বাৰ্থপূৰণ কৰাটো ভাৰতবৰ্ষৰ দৰে এখন দেশত সাধাৰণ ঘটনালৈ পৰিবৰ্ত্তিত হৈছে।

দুৰ্নীতিৰ কাৰণ ঃ দুৰ্নীতিৰ বিভিন্ন স্বৰূপ সমূহ পৰ্য্যালোচনা কৰিলে কিছুমান কাৰণ ওলাই পৰে। অৰ্থাৎ এজন ব্যক্তি কি কাৰণে ভেটি খাব লগা হয় বা উৎকোচ ল'ব লগা হয় তাক সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে ওলাই পৰে।

**(১) সহজ লভ্য ধন ঘটাৰ ইচ্ছা ঃ** মানুহে টকা ঘটাৰ চেষ্টাত সদায় ব্যস্ত। কিন্তু যিমানেই নাপাওঁক কিয় তেওঁলোক কেতিয়াও সন্তুষ্ট নহয়। সেয়ে বিভিন্ন উপায় অবলম্বন কৰি আনকি ফাঁকি দি হলেও উচ্চস্তৰৰ বিষয়া সকলে নিজৰ পূঁজি গোটোৱাত মনোনিৱেশ কৰে। বৰ্তমান প্ৰশাসনিক দিশটো ৰ প্ৰতি চকু ফুৰালে দেখা পোৱা যায় যে প্ৰত্যেকটো স্তৰতে কেৱল টকাৰ লেঠা আৰু সীমাবদ্ধ কাৰ্যকালৰ শেষত কোটি কোটি টকাৰ ঘাটি বাজেটৰ হিচাপে এনে এটা ব্যৱস্থাই অকল সেই নিৰ্দিষ্ট স্তৰটোকে কলুষিত কৰা নাই, বৰঞ্চ ইয়াৰ ফলত পৰ্যায়ক্ৰমে দেশখনৰ অৰ্থনীতিৰ মেৰুদণ্ড ভাঙি আহিছে। উদাহৰণ স্বৰূপে এজন অভিযন্তাৰ মাহেকীয়া দৰমহা এজন কলেজ শিক্ষকতকৈ কম যদিও দুৰ্নীতিৰ জৰিয়তে অধিক ধন ঘটাৰ পথ মুকলি থকাৰ বাবে সকলো মানুহে অভিযন্তাক শ্ৰদ্ধা আৰু গুৰুত্ব প্ৰদান কৰে। আনকি নিজৰ সন্তানক শিক্ষক হিচাপে গঢ় দিয়াতকৈ এজন অভিযন্তা হিচাপে গঢ় দিয়াতহে বেছি গুৰুত্ব দিয়া দেখা যায়।

**(২) মানৱীয় সহানুভুতিৰ অভাৱ ঃ** দেশৰ উদ্যোগ আৰু শিল্পৰ ক্ৰমাগত বৃদ্ধিৰ লগে লগে মানুহবোৰো যেন একো একোটা যন্ত্ৰলৈহে ৰূপান্তৰিত হৈছে, ঠিক তেনে যেন অনুমান হয়। প্ৰেম-প্ৰীতি, দয়া-মমতা, ভাতৃত্ববোধ, স্বদেশ প্ৰেম আদি ভাৱবোৰ মানুহৰ মনৰ পৰা বহুদূৰ আতৰি গৈছে। উচ্চস্তৰৰ বিষয়া বা মন্ত্ৰীবোৰেও ধনৰ লোভত পৰি এই অমূল্য মানৱীয় অনুভুতি সমূহ এৰি সমাজখনক বিপথে পৰিচালিত কৰা দেখা গৈছে।

**(৩) কৰ্মবিমুখ শিক্ষিতৰ হাৰ বৃদ্ধি আৰু সংস্থাপনৰ অভাৱ ঃ** সময় বাগৰাৰ লগে লগে শিক্ষিত লোকৰ সংখ্যা  দ্ৰুতগতিৰে বৃদ্ধি পাই আহিছে। এক নিৰ্দিষ্ট বয়সলৈকে শিক্ষালাভ কৰি প্ৰত্যেকজন যুৱক - যুৱতীয়ে ভৱিষ্যত উজ্বল কৰাৰ আশাত চাকৰিৰ পিছত দৌৰিব লগীয়া হয়। আনহাতে সংস্থাপনৰ অভাৱত প্ৰত্যেকটো বিভাগতে

থকা কেইটামান চাকৰিৰ ওপৰতে শ শ নিবনুৱাৰ হেতা ওপৰা লাগে। শেষত টকা পইচা থকা অৱস্থা সম্পন্ন ঘৰৰ যুৱক-যুৱতীয়ে এক মোটা অংকৰ উৎকোচ দি চাকৰিটো কাঢ়ি লয়। এনে ক্ষেত্ৰত উচ্চ পদস্থ বিষয়া বা মন্ত্ৰী, এম, এল,এ সকলেও ধনৰ লোভত পৰি সহায় কৰি দিয়ে আৰু ফলত যোগ্যৰ সলনি অযোগ্য ব্যক্তি নিৰ্দ্ধাৰণৰ ফলত প্ৰশাসনত অৰাজকতাই বিৰাজ কৰে।

(৪) **উপযুক্ত পৰ্যবেক্ষণৰ অভাৱ ঃ** প্ৰশাসনিক বিভাগটো কেনেদৰে চলিছে নাইবা দেশৰ অৰ্থনৈতিক উন্নতিত কিমান পৰিমাণৰ অৱদান আগবঢ়াইছে তাক নিৰপেক্ষ পৰ্যবেক্ষকৰ অভাৱ। সেয়ে প্ৰত্যেকজন প্ৰশাসনৰ লগত জৰিত থকা ব্যক্তিয়ে নিজৰ নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি ক'লাধন উপাৰ্জন কৰাত আত্মনিয়োগ কৰিছে। উদাহৰণ স্বৰূপে উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদী সমস্যাক উনুকিয়াব পৰা যায়। উগ্ৰপন্থী সকলে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰবোৰ অৰ্থাৎ স্বয়ং চালিত মৰণাস্ত্ৰবোৰ উত্তৰ পূৰ্বাঞ্চললৈ বিদেশৰ পৰা আমদানি হয়। ইয়াৰ আমদানি হোৱা মানে কৰ্তব্য পৰায়ণ ব্যক্তিৰ দুৰ্নীতিপৰায়ণতাকে বুজা যায়। যিহেতু নিজৰ দায়িত্ব অৱহেলা কৰাটো দুৰ্নীতিৰ অন্তৰ্ভূক্ত। দেশৰ প্ৰতিৰক্ষা বিভাগৰ ত্ৰুটিৰ বাবেহে এনেদৰে অবৈধ অস্ত্ৰ-শস্ত্ৰৰ এখন বৃহৎ কলা বজাৰ তিষ্ঠি থকাটো সম্ভৱ হৈছে।

### ৰাজহুৱা জীৱনত দুৰ্নীতিৰ প্ৰভাৱ ঃ

প্ৰশাসনিক দিশত হোৱা খেলি-মেলি সমূহে সমাজত ধনী আৰু দুখীয়াৰ মাজত থকা ব্যৱধান অধিক স্পষ্ট ৰূপত দেখুৱাইছে। শোষিত দুখীয়া সকল আৰু অধিক দুখীয়া হৈ আহিছে আৰু অৱস্থাসম্পন্ন ধনী চাকৰিয়াল বিলাক ক্ৰমান্বয়ে ধনী হৈ গৈছে। প্ৰশাসনৰ এই অৰাজকতাই দেশত নিবনুৱা সমস্যাৰ উদ্ভৱ কৰি এক বৃহৎ ভাবুকিৰ সৃষ্টি কৰিছে। এই উৎকোচ নাইবা ভেটি খোৱা ব্যৱস্থাটোৱে প্ৰশাসনিক দিশৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে আৰু সেয়ে জনসাধাৰণেও প্ৰশাসনৰ প্ৰতি বিৰূপ ভাৱ পোষণ কৰিছে। প্ৰশাসনৰ উপৰিও অবৈধভাৱে অৰ্থাৎ অনুপযুক্ত ব্যক্তিক শিক্ষকৰ পদত দিয়া নিযুক্তিয়ে জনসাধাৰণৰ মাজত বাৰুকৈয়ে প্ৰভাৱ পেলায়। ই এক প্ৰকাৰ এনেকুৱা দুৰ্নীতি যাৰ ফলস্বৰূপে সমাজৰ কাঠামো স্খলিত হয়। কিয়নো চৰকাৰৰ দ্বাৰা পৰিচালিত যিকোনো সংগঠনৰ প্ৰকৃতি, কাৰ্যাৱলী, আদিৰ গুণাগুনে জনসাধাৰণৰ বিকাশ সাধনত বিশেষভাৱে প্ৰভাৱ পেলায়। সেয়ে চৰকাৰী অনুষ্ঠান সংগঠনৰ বিশেষকৈ শিক্ষানুষ্ঠানৰ দুৰ্নীতিয়ে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰে।

**সামৰণি ঃ** সামৰণিত ইয়াকে কব পাৰি যে এই ভেটি খোৱা বা উৎকোচ লোৱা স্বভাৱটোৱে একবিংশ শতিকাৰ ভাৰতবৰ্ষৰ জন সাধাৰণৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। ইয়াৰ বাবে প্ৰশাসনিক উচ্চপদস্থ বিষয়াবৰ্গই উৎকোচ নলৈ চৰকাৰী নীতি নিয়মৰ মাজেৰে কামত অগ্ৰসৰ হলে প্ৰশাসনিক বিভাগটো নিশ্চয় নকৈ ঠন ধৰি উঠিব। অৱশ্যে ইয়াৰ বাবে জনসাধাৰণো সম্পূৰ্ণৰূপে সজাগ হোৱা দৰকাৰ। সেয়ে সময় অতীত হৈ নৌযাওতেই দেশখনৰ শাসনৰ বিভিন্ন স্তৰত হোৱা এই ভেটি লোৱা স্বভাৱটো মষিমূৰ কৰিবলৈ ৰাইজ সজাগ হ'বৰ হ'ল।

(সহায়ক গ্ৰন্থ – ভাৰতৰ সামাজিক সমস্যা)

◆ ◆ ◆



# সেই খিৰিকীখন

বলোৰাম নাথ
স্নাতক দ্বিতীয় বৰ্ষ



খিৰিকীখন খুলি দিবলৈ আগবঢ়াই দিয়া কৰবীৰ হাতখন থমকি ৰ'ল। খিৰিকীখন খুলি দিলেই কোঠাটোলৈ সোমাই আহে পূবৰ পৰা পশ্চিমমুৱা এচাতি কোমল বতাহ। অথচ আজি দুবছৰমান আগতেতো তাই খিৰিকীখনৰ সন্মুখত বহিয়েই পাৰ কৰি দিছিল বেছিখিনি সময়। বীজ গণিতৰ সূত্ৰৰ পৰা আৰম্ভ কৰি অসমীয়া ৰচনালৈকে সেই খিৰিকীখনৰ সন্মুখতেই মুখস্থ কৰিছিল। খিৰিকীখনৰ মাজেৰে তেতিয়া পাৰ হৈ অহা বতাহ জাকে তাইৰ গালে মুখে চুমা আঁকি দিছিল। কেতিয়াবাটো তাই অন্তৰ ভেদ কৰক বুলিয়েই বুকুত পেলাই লোৱা আভৰণ গামোচাখনো আতৰাই দিছিল। সেই খিৰিকীখন খুলি দিয়েই তাই দৃষ্টি নিক্ষেপ কৰিছিল উত্তৰা-দক্ষিণাকৈ পৰি থকা দীঘল ৰাস্তাটোলৈ, যাৰ ওপৰেৰে পাৰ হৈ গৈছিল বিভিন্ন শ্ৰেণীৰ বিভিন্ন মানুহ। স্কুলীয়া ছাত্ৰৰ পৰা আৰম্ভ কৰি হালোৱা, মহৰী, উকিল আদি সকলোৱে তাইৰ দৃষ্টিত পৰিছিল। ভাল লাগিছিল তাইৰ সেই পৰিৱেশটো।

তাই হয়তো সেই সময়ত কোনো দিনে ভবা নাছিল, সময়ে তাইক প্ৰতাৰণা কৰিব বুলি। আজি দুবছৰ হ'ল কৰবী গাভৰু হ'বৰ। গাভৰু হোৱাৰ লগে লগে তাইৰ জীৱনটোলৈ যেন নামি আহিল এখন বিৰাট অদৃশ্য প্ৰাচীৰ। আশা নকৰাকৈয়ে তাই বান্ধ খালে সমাজৰ কিছুমান নিয়মৰ মাজত। পখিলাৰ দৰে মুক্ত মনে উৰিব বিচৰা তাইৰ মনটো যেন তাই এটি বন্ধ কোঠাৰ অন্ধকাৰত বন্দী কৰিব লগা হ'ল। এতিয়া তাই আৰু তাইৰ মাক-দেউতাক অকলশৰীয়া নহয়। হয়তো কৰবীৰ মাক-দেউতাকেও ভবা নাছিল কৰবীয়ে যে গাভৰু হৈয়েই জন্ম দিব তেওঁলোকৰ ডাঙৰ ল'ৰা, সৰু ল'ৰা, উকীল, ডাক্তৰ, শিক্ষক ইত্যাদি নানা শ্ৰেণীৰ পুৰুষ। সন্ধিয়াৰ আকাশত ক্ষণে ক্ষণে বহু তৰাই ভূমুকি মৰাৰ দৰে তেওঁলোকৰ ঘৰখনতো দিনে দিনে নতুন মুখে ভূমুকি মাৰিলে। এতিয়াতো কৰবীৰ দেউতাকে সামান্য জ্বৰো অনুভৱ কৰিব নালাগে। খুড়া, দাদা, বৰদেউতা, ককা ইত্যাদি নানা সম্পৰ্ক উলিয়াই তেওঁক চিকিৎসাৰ হাত আগবঢ়োৱা লোকৰ সংখ্যা আঙুলিৰ মূৰত হিচাপ কৰিব নোৱাৰি। দুই এজনেতো আগতীয়াকৈ চিকিৎসা কৰিয়েই দেউতাকক ভাল বোলাই।

আজি কালি কৰবীৰ দেউতাকে অকলে জুহালত জুপুকা মাৰি বহি থাকিব নালাগে। সেইখিনি ঠাইতে কমেও দহ-বাৰজনৰ ভাল আলোচনা বহে। কোন এম. এল. এ, এম. পি.য়ে কি কৰিছে, কোনে কেলেংকাৰী কৰিছে, বৰ্তমান

কি চিনেমা বেছি হিট্ হৈছে, কোন অভিনেতা-অভিনেত্রী ছুপাৰষ্টাৰ হ'ব, বিশ্বকাপ ফুটবলত কোন চেম্পিয়ন হ'ব, এইবাৰ কামাল নে ছেহগাল ৰাষ্ট্ৰপতি হ'ব ইত্যাদি ইত্যাদি নানা কথাৰে জুহাল ৰজন্‌জনাই থাকে। কৰবীৰ দেউতাকে জীৱনত কোনো দিনে নুশুনা কিছুমান শব্দ শুনিবলৈ পায়। অৱশ্যে একো নুবুজাকৈ হলেও মাজে সময়ে কেতিয়াবা মন্তব্য কৰে – "এহ বোপা, যিয়ে ৰজা নহওঁক কিয় লংকা পালেগৈ সকলো ৰাৱন হ'বই"।

কৰবীৰ জৰাজীৰ্ণ টেবুলখনতো নতুন পুৰুষে স্পৰ্শ কৰিলে। আজি কালি তাই অকলে পঢ়িব নালাগে। তাইক পঢ়ুওৱা মানুহৰ অভাৱ নাই। তাইৰ ওচৰতে চকী এখন পাৰি লৈ তাইক নানা প্ৰশ্নৰ উত্তৰ বিনা বেতনে কৰি দিয়া ব্যক্তিৰ অভাৱ নাই। ওচৰৰে ল'ৰা নবীন, অসীমহঁতে কৰবীক যেন একে দিনাই কিতাপখন পঢ়ুৱাই শেষ কৰি দিব বিচাৰে। নৱম মানৰ ছাত্ৰী কৰবীয়ে যেন এটি বৰ ডাঙৰ পৰীক্ষাতহে অৱতীৰ্ণ হ'ব। ইজনৰ পিছত সিজনকৈ প্ৰত্যেকজনেই তাইক টেবুলৰ ওচৰত অকলে বিচাৰে।

প্ৰথম অৱস্থাত কৰবীৰ ভালেই লাগিছিল। বহুদিনৰ পৰাই তাই ককাইদেউ বুলি সম্বোধন কৰিবলৈ মানুহ বিচাৰি ফুৰিছিল। কিন্তু লাহে লাহে তাই অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলে। ইমানবোৰ মানুহৰ সমাগমৰ উদ্দেশ্য তাই যেন হঠাতে বুজি পালে। তাইৰ মনত ভয় হ'ল। তাই এতিয়া আৰু সাহসেৰে সেই গামোচাখন লৈ ঘৰৰ বাহিৰ ওলাব নোৱাৰা হ'ল। গাভৰু হোৱাৰ দুবছৰতে তাই যেন অভিজ্ঞতাত বৃদ্ধা হ'ল। আৰু তাইৰ যেন নতুন অভিজ্ঞতাৰ প্ৰয়োজন নাই। এদিন মৰমেৰে যিখন হাতে তাইৰ বাহু স্পৰ্শ কৰিছিল সেই হাতখনেই ক্ৰমান্বয়ে তাই অনুভৱ কৰিছে কিবা যেন এক গুপুত ঠাই বিচাৰি ফুৰিছে। ... নাই , নাই তাই আৰু মৰমেৰেও কাকো স্পৰ্শ কৰিব দিব নোৱাৰে।

তাইৰ মনত পৰে গছকি যোৱা দুবছৰীয়া অতীত। তেতিয়াটো তাই কাৰো আকৰ্ষণৰ বিষয় নাছিল। কোনেওতো তাইক ভালপোৱা কাম কৰিবলৈ চেষ্টা কৰা নাছিল। এতিয়া কিন্তু তাইৰ দুখত সকলোৱে কান্দিব বিচাৰে, তাইৰ আনন্দৰ সমভাগী হ'ব সকলোৱে বিচাৰে। তাই কেতিয়াবা নিজকে বিশ্লেষণ কৰে, কিন্তু তাই বিচাৰি নাপাই এটি বৃহৎ প্ৰভেদ, কেৱল মাথো শাৰীৰিক গঠনত পৰিৱৰ্তনৰ চাপ তাইও অনুভৱ কৰে। হয় আজি দুবছৰ আগেয়ে তাই এনেকুৱা শকত নাছিল, কিন্তু সেইবুলি (?) তাই আৰু ভাবিব নোৱাৰে ....!

আজি কালি কৰবীয়ে সেই খিৰিকীখন খুলি শীতল বতাহজাক উপভোগ কৰিব নোৱাৰা হ'ল। তাইৰ মনত দুখ হ'ল যিখন খিৰিকী খুলি তাই দিনৰ দিনটো ৰাস্তাটোৰ ওপৰেৰে পাৰ হৈ যোৱা মানুহবোৰ চাই চাই স্বস্তি অনুভৱ কৰিছিল, আজি সেই মানুহবোৰৰ বাবেই তাই শীতল বতাহজাকো ত্যাগ কৰিব লগীয়া হ'ল। খিৰিকীখনৰ মুখত তাই অলপ সময়ো থিয় হ'ব নোৱাৰে। ৰাস্তাৰে পাৰ হৈ যোৱা মানুহবোৰে তাইলৈ চাই কিবা যেন এক ইঙ্গিত দিব বিচাৰে, যিটো ইঙ্গিতত তাই বুজিবলৈ বাকী নাথাকে যে সেই পুৰুষজন নিশ্চই সিহঁতৰ ঘৰত উপস্থিত হ'বই।

কেতিয়াবা তাইৰ অন্তৰখনেও হাহাকাৰ কৰি উঠে সঁচা মৰম বিচাৰি। কিন্তু ......! কিন্তু ইমানবোৰ পুৰুষৰ মাজততো তাই বিচাৰি নাপাই তাইৰ মনে বিচৰা মানুহজন। নবীন, অসীম সকলোৱে চকুত তাই দেখে মাথো কামনা। সিহঁত যেন সকলো ভোকাতুৰ।

আজি তাই একো এটাই ঠিৰাং কৰিব পৰা নাই। খিৰিকীখন খুলিলে আগৰ সেই শীতল বতাহজাক জানো বিচাৰি পাব? খন্তেকৰ বাবে তাই স্তম্ভিত হ'ল। তাৰ পাছত তাই শেষ সিদ্ধান্ত ল'লে — তাই আৰু এজাক শীতল মলয়া বিচাৰি এজাক কোমল বতাহৰ কামনা নকৰে। তাই চিৰদিনৰ বাবে জপাই দিলে – সেই খিৰিকীখন। ◆◆

# মইও যে আৰু ........

দিগন্ত শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ



"উস্ ... কোনো মতে পালোহি" — বাছখনৰ পৰা নামি এটা স্বস্তিৰ নিশ্বাস পেলালো। মানুহেৰে বাছখন ঠাহ খাই আছে। বহিবলৈ ছিট পোৱাটো দূৰৰে কথা, থিয় হ'বলৈকো ঠাই অকণ নাই। দুৱাৰ মুখতো দহ-পোন্ধৰজনমান মৌ ওলোমাদি ওলমি আহিছে। ইমানখিনি বাট এখন ভৰিৰ ওপৰতে থিয় দি ওপৰৰ তাঁৰ ডালত ধৰি কোনোমতে ওলমি আহিছো। তাতে ৰাস্তাটোৰ অৱস্থা যিহে, গাড়ীখন যেনিবা ভেকুলিয়ে জপিওৱাদি জপিয়াইহে আহিছে। এঘন্টাৰ বাট আহোতে তিনি ঘন্টাই লাগিল। লগত অহা মোৰ পৰিবাৰ ৰত্না আৰু আমাৰ একমাত্ৰ সন্তান সুভাষৰ মুখলৈ চালো। ঘামত একেবাৰে জুৰুলি-জুপুৰি হৈ আহিছে। মুখত বিৰক্তিৰ আভাষ। সৰ্বশৰীৰত মই এটা বিষ অনুভৱ কৰিলো। এতিয়া সুভাষৰ মোমায়েকৰ ঘৰ পালেই যেন ৰক্ষা। অধিক বিলম্ব নকৰি ওচৰতে থকা হোটেল খনলৈ খৰখোজে সোমাই গৈ মিঠাই অলপ কিনি ললো।

তেতিয়া সাজ লাগি ভাগিছিল। চাৰিওফালে আন্ধাৰে আবৰি ধৰিছিল। ষ্টেচনত মানুহৰ উপস্থিতি সেৰেঙা। সন্ত্ৰাসবাদীয়ে গৰকা এইবোৰ ঠাইত মানুহে নিশা বেছি সময়লৈ নাথাকে। দোকানবোৰ বন্ধ কৰিবলৈ লৈছে। আমি চৌদিশে চকু ফুৰাইছো ৰিক্সাৰ বাবে। কিন্তু এখনো ৰিক্সা দেখিবলৈ নাপালো। অৱশ্যে শহুৰৰ ঘৰলৈ বেছি দূৰ নাছিল। ডেৰ কিলোমিটাৰমান হ'ব। সমস্যাটো বৰ ডাঙৰ হ'ল বেগবোৰ কঢ়িওৱা। তাৰোপৰি কণমানি সুভাষক নিয়াৰ বাবেহে। সেয়ে হোটেলৰ মেনেজাৰজনক আমাৰ অসুবিধাটো বুজাই দিলো যাতে তেওঁ এটা ব্যৱস্থা কৰি দিয়ে। মেনেজাৰ জনে ব্যস্ততাৰে পইচা গণি আছিল যদিও তলমূৰে সুধিলে – " ক'লৈ যাব?"

মই উত্তৰ দিলো, "সোনাপুৰ নামঘৰৰ ওচৰলৈ"

তাৰ পাছত তেখেতে আমাৰ ফালে অলপ সহানুভূতিৰ দৃষ্টিৰে চাই সামান্য হাঁহি ক'লে, " অলপ ৰ'ব"।

ঃ"ৰামু, ঐ ৰামু" । এইদৰে দুবাৰ মতাৰ পাছত হোটেল বয় ৰামু আহি মেনেজাৰৰ সন্মুখত থিয় হ'ল। আমি নুবুজাকৈয়ে সিহঁতে আকাৰে ইংগিতে হিন্দী আৰু পাঞ্জাবী ভাষাৰ মিশ্ৰণত কথা পাতিলে। তাৰ পিছত ল'ৰাজন গ'লগৈ। মোৰ অলপ পেটেপেটে ভয়ো লাগিল। কিনো কথা পাতিলে? কিবা কৰে? পিছে সেই ভয় স্থায়ী নহ'ল। খন্তেক পিছতে দুখন ৰিক্সা আহি আমাৰ সন্মুখত হাজিৰ হ'ল। মই বেগকেইটা এখন ৰিক্সাত উঠাই দিলো। আমি



তিনিও আনখনত বহি পৰিলো। ৰিক্সাৱালাই সুধিলে, "ক'ত নামিব?" মই কলো সোণাপুৰ নামঘৰৰ সন্মুখত মৌজাদাৰৰ যে ঘৰ তাতেই নামিম। "চিনি পোৱা নহয়।"

ঃ ৰিক্সাৱালাই তপৰাই উত্তৰ দিলে। "অ' অ'। নাপাম কিয়? আমি একেখন গাঁৱৰে মানুহ।"

তাৰ পাছত আৰু কথা-বতৰা নাই। ৰিক্সাৱালাৰ মুখত সুৰাপানৰ গোন্ধ। তাৰমানে ইহঁতে সুৰালয়ত সুৰাপানৰ বাবে সোমাই আছিল। ৰত্নাই অলপ ভয় খালে। তেওঁৰ মদ খোৱা মানুহলৈ বৰ ভয়। মই অভয় দিলো সামান্য কৃত্ৰিম হাঁহিৰে। সুভাষ নিশ্চুপ হৈ বহি আছে। আমি গৈ আমাৰ গন্তব্যস্থান পালোহি। ততাতৈয়াকৈ নামি শহুৰৰ ঘৰৰ গেটখন খুলিলো। বয়বস্তু থকা ৰিক্সাখন মোৰ নিৰ্দেশতেই ৰিক্সাৱালাই ভিতৰলৈ লৈ গ'ল। ৰত্নাই কলিং বেল টিপি দিয়া মাত্ৰকেই খুলশালী হিতেশ আৰু ৰুণা ওলাই আহি বেগবোৰ ৰিক্সাৰ পৰা নমাই লৈ গ'ল। সুভাষ আৰু ৰত্না সিহঁতৰ পিছে পিছে ৰুমলৈ সোমাই গ'ল। আৰু মই ৰিক্সাৱালাক পইচা দিব ওলাই সুধিলো, "কেইটকা ?"

" বাবু আমি ৰাতি ডবোল ভাড়া ল'ব লাগে। নলও বাৰু, পোন্ধৰ টকাকে দিয়ক।"

"পোন্ধৰ টকা?, মই পুণৰ প্ৰশ্ন কৰিলো।"

"ও বাবু বিশ টকাই হয়। আমি কমাইহে কৈছো।"

মোৰ সাউৎকৈ মনত পৰিল। এমাহ আগতে আহোতেটো দহ টকাকৈ লৈছিল। এতিয়া ৰাতি বুলি সুবিধা পাই পাঁচ টকাকৈ বেছি ল'ব বিচাৰিছে। কিয় দিম? নিদিও। মনতে ভাবিলো। ভঙনীয়া পইচাও আছে। তথাপি মানি বেগত ইটো পকেটৰ পিচত সিটো পকেট ছেক কৰাটো দেখুৱাই কলো –"ভঙনীয়া পইচা নাই। দহ টকাকৈ ৰখা। এয়া বিশ টকা।" দহটকীয়া দুখন সিহঁতৰ ফালে আগ বঢ়াই দিলো।

"নাই নহ'ব বাবু" – সিহঁত দুটাই আপত্তি কৰি কৈ উঠিল।

"ভঙনীয়া নাই অ'। এয়া চা পাঁচশ টকীয়া।" মই পাঁচশ টকীয়া নোটখন দেখুৱালো। সিহঁতৰ লগতো ভঙনীয়া পইচা নাছিল। ক'লে – "হ'ব দে বাবু"।

সিহঁত গ'লগৈ আৰু মই ৰুমত সোমাই পৰিলো। ৰুমত সোমায়েই দেখিলো শয্যাগত শহুৰ দেউতাই জীয়েক আৰু নাতিয়েকৰ লগত ডিঙিত বজি বজি অহা শব্দৰ টুকুৰাৰে কষ্ট কৰিয়েই কিবা কিবি সুধি আছে। এখন হাতেৰে সুভাষৰ মূৰত হাত বুলাই আছে। মোৰ দেখিয়েই বেয়া লাগিল। মানুহজন শুকাই ক্ষীণাই হাড়ে ছালে লাগিছে। সোনকালে কোনোবা ডাঙৰ হাস্পতাললৈ নিয়াই ভাল হ'ব। ডিব্ৰুগড় মেডিকেল কলেজতেই ভৰ্তি কৰা যাওঁক। দেউতাৰ অসুখৰ বাবেই ঘৰখনো কিবা উৰুঙা উৰুঙা লগা হ'ল। দেউতাই মোলৈ চাই সুধিছে " বোপা কিমান দিনৰ ছুটী ল'লা।"

মই সংক্ষিপ্ত উত্তৰ দিলো " সম্পূৰ্ণ এমাহ"। দেউতাই কিবা ক'ব খুজি ৰৈ গ'ল।

"ভিনদেউ, অ' ভিনদেউ সুভাষ আৰু ৰত্নাকো লৈ ভিতৰলৈ আহক।" খুলশালী হিতেশে আমাক ভিতৰ ৰুমলৈ মাতিলে। দেউতায়ো আদেশ দিলে – "যোৱাগৈ চাহপানী অলপকে খোৱাগৈ।"

আমি দেউতাক এৰি আনটো ৰুমত সোমাই চাহৰ কাপত চুমুক দিলো। নানা ধৰণৰ ইটো সিটো কথাৰ আলোচনা চলিল। তাৰ পিচত দেউতাৰ চিকিৎসাৰ বিষয়ে কৰা আলোচনাই প্ৰাধান্য লাভ কৰিলে। টকা পইছাৰ এটা হিচাপ কৰা হ'ল। মোটা-মোটি পইত্ৰিশ চল্লিশ হাজাৰমান হ'লে হ'ব লাগে। পঁচিশ হাজাৰ এতিয়া লগত আছে।

প্ৰয়োজন হ'লে বেংকৰ পৰা দহ-পোন্ধৰ হাজাৰমান উলিয়াম আকৌ।

পইছাৰ কথা কোৱা মাত্ৰেই ৰত্নাই সচকিত হৈ খপজপাই ভি.আই.পি.ৰ চাবিকোছা ক'ত থাকিল বুলি উচপিচাই উঠিল। আমি আটায়ে একেখন মুখে কৈ উঠিলো, "কি? হেৰাল নেকি?"

তেওঁ কিবা ভাবি বোধহয় মনত পেলাই কলে, "ৰুমালৰ কোণত ছাবিকোছা গাঠি মোৰ ককালৰ খোচনাত খুচি লৈছিলো। ক'ৰবাত পৰি থাকিল। বাছত কিন্তু নাই পৰা। নতুবা ৰিক্সাত আহোতে নাইবা ষ্টেচনত পৰি থাকিল।

"ৰত্না চেহ তুমি বেয়া কাম কৰিলা। য'তেই নহওঁক তুমি চাবিকোছা হেৰালা যেতিয়া আটাইকেইটা ভি. আই. পিয়ে এতিয়া নষ্ট হৈ যাব। আনকি বন্ধু প্ৰতাপে ব'ম্বেৰ পৰা অনা ব'ম্বে ভি. আই. পিটোও এতিয়া ভাঙিব লাগিব। সেইটোতে পইচাখিনিও ভৰাই আনিছিলো। ভাঙিবটো লাগিবই গ'ল আৰু মোৰ মৰমৰ বস্তুটো। সেইটো আৰু ইয়াত কিনিব নাপায়।" মই অলপ আক্ষেপ কৰি কলো।

শাহুৱাই তপৰাই উত্তৰ দিলে "দে যি হ'ল হ'ল। কিজানিবা আন কিবাই হ'ব লগীয়া আছিল। মানুহ কেইজন যে ভালে ভালে আহি পাইছাহি।"

"নহয় মা আপুনি এইবোৰ কি কৈছে জীয়েৰে অসাৱধান হোৱা বাবেহে হেৰাল। এইজনী এনেকুৱাই, একো লেউ সেউ নাই।"

মোৰ ভি. আই. পি . কেইটা ভাঙিব লগা হোৱাত খং উঠিল। কিন্তু গণ্ডগোল কৰিবওটো নোৱাৰি। শাহু শহুৰৰ ঘৰ। আনহাতে শয্যাগত শহুৰ দেউতা। সেয়ে মই নিশ্চুপ হৈয়ে ৰলো। উঠি অহা খংটো নিজে দমাই ৰাখিলো। চাবিকোছাতো হেৰালেই। গতিকে প্ৰথমে পইচা থকা ব'ম্বে ভি. আই. পি.টোকে ভঙা যাওঁক। কাইলৈ পুৱাই পইচাৰো দৰকাৰ হ'ব। গতিকে মই ব'ম্বে ভি.আই.পি.টোকে ভাঙিবলৈ বুলি হাতত তুলি ল'লো। এনেতে কলিং বেলটোৱে চিঞৰি উঠিল। মই বেগটো সযতনে থৈ দৰ্জা খন খুলি দিলো। আগন্তুক জন সোমাই আহিল। আহক, বহক। চকী এখন আগবঢ়াই দিলো। তেওঁ নবহিলে, মাথো পেন্টৰ পকেটৰ পৰা চাবি একোছা লৈ দাঙি ধৰিলে। "এয়া নিশ্চই আপোনাৰ চাবি।" মই অবাক বিস্ময়েৰে সুধিলো " অ' ক'ত পালে?" মানুহজনৰ মুখলৈ চাই ধৰিব পাৰিলো — ৰিক্সাৱালাজন। তাৰ মানে ৰিক্সাত পৰি ৰৈছিল। চাবিকোছা পোৱাৰ আনন্দত মোৰ মনটো নাচি উঠিল। সি গলগলীয়া মাতেৰে ক'লে "মই ৰিক্সাৱালা। মোৰ গাড়ীতেই চাবিকোছা পৰি আছিল।" সি চাবিকোছা মোলৈ আগবঢ়ালে। মই চাবিকোছা হাত পাতি ল'লো আৰু ওচৰতে থকা ৰুণাক দি ক'লো "ৰুণা, এওঁক অকণমান চাহ তামোল দে।" "নাই বাবু নেলাগে" বুলি সি যাবলৈ উদ্যত হ'ল। মই "ৰবা ৰবা " বুলি দুবাৰো কোৱাতহে সি দুৱাৰদলিত ৰৈ গ'ল। মই মানিবেগৰ পৰা দহটকীয়া নোট এখন তালৈ আগবঢ়ালো। সি তাচ্ছিল্যৰ হাঁহি মাৰি ক'লে "নাই বাবু নালাগে, বিনিময় বিচৰা নাই। তেতিয়াচোন আপোনাৰ ওচৰত ভগনীয়া নোট নোহোৱা বাবে ভাড়া কমাই দিলে। এতিয়া ক'ৰ পৰা ওলাল। এতিয়া আৰু নালাগে। আপুনিয়েই ৰাখি থওঁক। আমাৰ গাড়ীত কাৰোবাৰ কিবা ৰৈ গ'লে ঘূৰাই দিয়াটো আমাৰ নিয়ম। বিনিময়ত টকা নালাগে। বিনিময়ত বিচাৰো মানৱতা। মানৱতাৰ খাতিৰত যাচিব পাৰে ধন্যবাদ।"

মই মানুহজনক কিবা এটা ক'ব খুজিছিলো। কিন্তু সি আৰু কোনো কথাই শুনিব ইচ্ছা নকৰি ভোঁ ভোঁৱাই গুচি গ'ল। মোৰ মানুহজনৰ ওচৰত নিজকে বৰ সৰু সৰু লাগিল। শাহু শহুৰৰ ওচৰত লাজো পালো। তাক দিবলৈ ওলোৱা দহটকীয়া নোটখন তেতিয়াও মোৰ হাতত আছিল। মই খৰধৰকৈ পকেটত ভৰালো। মনতে মাথো ভাবিলো মানুহৰ মানৱতাকো মই টকাৰে বিনিময় কৰিব বিচাৰো। মইয়ো যে আৰু .................... । ◆◆

# ভগ্ন হৃদয়

সুভাষ বড়া
উঃ মাঃ দ্বিতীয় বৰ্ষ

ঠাণ্ডাটো বৰ বেছিকৈ পৰিছে। নগাওঁ অভিমুখী এই গাড়ীখনত মই বহি আহিছোঁ গুৱাহাটীৰ পৰা। মোৰ ওচৰৰ চিটটোত বহি ৰমেনে একান্তমনে টোপনিয়াই আহিছে। কেতিয়াবা কেতিয়াবা তাৰ মূৰটোৱে মোৰ বাহুত বৰ জোৰেৰে খুন্দা মাৰে। সি খপ জপকৈ সাৰ পাই পুনৰ চিটটোত আৰামকৈ বহি টোপনিয়াই। ৰমেন মোৰ কলেজ জীৱনৰ একমাত্ৰ বন্ধু, লগতে ৰুমমেটও। একেলগে পঢ়ি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতক তৃতীয় বৰ্ষ পাইছোঁহি। তাৰ সৰু মোমায়েকৰ বিয়াৰ বাবে ৰমেন আৰু মোৰ এই গুৱাহাটীৰ পৰা নগাৱঁলৈ আগমন। আগতেও বহুবাৰ আহিছোঁ মোমায়েকৰ ঘৰলৈ। অৱশ্যে ৰমেনৰ মোমায়েকৰ ঘৰলৈ অহাৰ আন এটা উদ্দেশ্যও আছে। সেয়া হ'ল মনা। ৰমেনৰ ডাঙৰ মোমায়েকৰ ছোৱালী মনালিছা। এইবাৰ মেট্ৰিক দিছে। দেখা শুনাত ধুনীয়া সহজ সৰল মনৰ অধিকাৰী এই মনা। এই মনাৰ লগতে চিনাকি হৈছিল সিদিনা। অৱশ্যে ৰমেনৰ ইয়াত কোনো আপত্তি নাছিল। মনাৰ লগত চিনাকি হোৱা সেই মুহূৰ্তটো মোৰ চকুৰ আগত ভাঁহি উঠিল।

তেতিয়া মই স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। পূজাৰ বন্ধত হোষ্টেলৰ পৰা মই আৰু ৰমেন গৈছিলো তাৰ মোমায়েকৰ ঘৰলৈ। তাৰ মোমায়েকৰ ডাঙৰ ছোৱালী মনাক সেইবাৰ প্ৰথম লগ পাইছিলো। প্ৰথম দেখাতে মোৰ তাইক ভাল লাগিছিল। সেইবাৰ পূজাত মই ৰমেন আৰু মনাই একেলগে পূজাও চাইছিলো। এসপ্তাহ থকাৰ পিছত যেতিয়া হোষ্টেললৈ আহিবলৈ ওলাইছিলো, মনাই মোক তাইৰ ৰুমলৈ মাতি নিছিল আৰু চিঠিখন দি কৈছিল —

ঃ অভিদা, এইখন লোৱা।

ঃ কি এইখন? মই কৌতুহলেৰে সুধিলো।

ঃ হোষ্টেলত চাবাগৈ .................।

কৈয়েই তাই ৰুমৰ ভিতৰৰ পৰা দৌৰি ওলাই আহিছিল। মই চিঠিখন জেপত ভৰাই লৈ হোষ্টেল পাইছিলো। চিঠিখন খুলি চাই মই পুলকিত হৈ পৰিছিলো। বিচনাত শুই শুই মই পঢ়িবলৈ লৈছিলো । তাই লিখিছিল —

মৰমৰ

অভিদা,

মৰম ল'বা। তোমাৰ হৃদয়ত মই কি স্থান পাইছোঁ নাজানো। কিন্তু মোৰ হৃদয়ৰ সমস্ত স্থান তুমি অধিকাৰ কৰি ল'লা। তোমাক দেখাৰ পৰাই মই তোমাৰ কথা প্ৰতিটো শ্বাস-প্ৰশ্বাসত অনুভৱ কৰিছো। তোমাক মই ভাল পাই পেলাইছো। তোমাৰ অভিমত জনাব। বহুত মৰমেৰে —

ইতি

'মনা'

এইখন তেনেই চমু চিঠি। কিন্তু তাৰ প্ৰতিক্ৰিয়া আছিল সাগৰ সদৃশ বিশাল। মই চিঠিখন ৰমেনক দেখুৱাইছিলো সি পঢ়ি চাই কৈছিল —

ঃ ৰোমিঅ', মোৰ কোনো আপত্তি নাই। তই উত্তৰ দি দে।

চিঠিৰ উত্তৰ মই মনাক দিছিলো আৰু তেতিয়াই আৰম্ভ হৈছিল আমাৰ প্ৰেমৰ ...............।

হঠাৎ গাড়ীখন বৈ দিয়াত মোৰ চিন্তাৰ ইতি পৰিল। দেখিলো আমি নিৰ্দিষ্ট ঠাইখিনি পালোহি। ৰমেনক টোপনিৰ পৰা উঠাই দি নামি পৰিলো।

আঁতৰৰ পৰা দেখিছিলো ৰমেনৰ মোমায়েকৰ ঘৰৰ সন্মুখত বহুত মানুহৰ জুম। মানুহৰ জুমৰ ওচৰৰ পৰা শুনিছিলো কাৰোবাৰ হিয়াভগা কান্দোন। মানুহৰ জুমবোৰ ঠেলি গৈ দেখিছিলো বগা কাপোৰেৰে ঢকা এটা মৃতদেহ। ওচৰৰ মানুহ এজনক সুধি গম পাইছিলো জোৰণ দিবলৈ যোৱা গাড়ীখন এক্সিডেন্ট হৈছে। বাকীবোৰ গুৰুতৰভাৱে আহত হৈছে। কিন্তু ..................

এয়া কাৰ মৃতদেহ? ৰমেনে মানুহজনক উৎকণ্ঠাৰে সুধিলে।

ঃ এক্সিডেন্ট ! এই মৃতদেহটো কাৰ?

ঃ মনালিছাৰ। মানুহ জনে কপা কপা মাতেৰে কলে।

"মনাৰ !' মই চিঞৰি উঠিলো। মনাৰ মৃত্যু ! মোৰ ভৰিৰ তলৰ মাটিখিনি খহি পৰা যেন লাগিল। মোৰ আশাৰ কাৰেংঘৰ নিমিষতে ভাঙি পৰিল। অপলক নয়নেৰে চাই ৰ'লো মনাৰ নিঠৰ দেহটো, য'ত আজি নাই সেই প্ৰাণোচ্ছল মাদকতা ....................।

◆ ◆ ◆

*ছাত্ৰ অৱস্থাত জাতীয়তাৰ দ্বাৰা অনুপ্ৰাণিত হব নোৱাৰিলে ছাত্ৰ জীৱন ব্যৰ্থ।*

- তৰুণ ৰাম ফুকন

*সাজ পোছাকে মানুহক ভদ্ৰ কৰি নোতোলে। সৎ চিন্তা আৰু সজ শিক্ষাৰ দ্বাৰাহে প্ৰকৃত ভদ্ৰ হব পাৰি।*

- মহাত্মা গান্ধী

*আঠুকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিত থিয় হৈ থকা খেতিয়ক এজন ডাঙৰ।*

- বেঞ্জামিন ফ্ৰেংকলিন

*সত্যৰ কাৰণে সকলো বিসৰ্জন দিব পাৰি কিন্তু একোৰে কাৰণে সত্যৰ বিসৰ্জন দিব নোৱাৰি।*

- ৰবীন্দ্ৰ নাথ ঠাকুৰ

# সংশোধন

পাপৰি বৰুৱা
উঃ মাঃ ১ম বাৰ্ষিক



মোৰ মনত ভীষণ ফুৰ্তি। কাৰণ বহুদিনৰ মূৰত আজি মাহীদেউৰ ঘৰলৈ যাবলৈ ওলাইছো। মাহীদেউৰ ডাঙৰ ছোৱালী আৰতিৰ বিয়া। মাহত কাইলৈহে যোৱাৰ কথা। মই সৰু মামাৰ লগত আজিয়েই যাম। সৰু মামাই যোৱাৰ আগতে আমাৰ ঘৰত সোমাই মোকো নিবলৈ আহিছে। মায়ে বজাৰৰ পৰা হালধীয়া ৰঙৰ চুৰিদাৰ এযোৰ আনি দিছে। সেই যোৰেৰে মোক বৰ ধুনীয়া দেখাইছে। কাপোৰযোৰ পিন্ধি লোৱাত মনটো আৰু বেছি ৰঙীয়াল হ'ল। আমি দুয়ো আগবাঢ়িলো মাহীদেউৰ ঘৰ অভিমুখে।

মই মা-দেউতাৰ একমাত্ৰ ছোৱালী। মোক এৰি তেওঁলোকে অলপ সময়ো থাকিব নোৱাৰে। সেইবাবে তেওঁলোকক এৰি আহি বেয়াও লাগিছে। মই এইবাৰ হায়াৰ ছেকেণ্ডাৰী ফাইনেল দিছো। সৰুৰে পৰা পঢ়াকে আগ স্থান দিছিলো যদিও প্ৰবেশিকাত আশা কৰা ধৰণে ফল নেপালো।

মাহীৰ ঘৰ ডিব্ৰুগড়ৰ এখন সৰু গাঁৱত। সন্ধিয়া ছয়মান বজাত আমি সেইখিনি পালোগৈ। তাত মই মাৰ সখীয়েক প্ৰণতি মাহীৰ ছোৱালী প্ৰিয়ংকাক লগ পালো। তাৰোপৰি ৰিমজিম, সীমা, তৰালী, মনালিছা আৰু বহুতো মনেমিলা বান্ধৱী লগ পাই আনন্দত মতলীয়া হৈ পৰিলো।

কাইলৈ আৰতিবাৰ বিয়া। বিয়াঘৰত আজিৰ পৰাই উদুলি-মুদুলি। ইতিমধ্যে জোৰণ দি দৰাঘৰীয়া মানুহবোৰ উভতি গ'ল। মামী, মাহী সকলোৱে মিলি নাৰিকলৰ লাডু, তিলৰ পিঠা আদি বনাইছে। মই ৰিমি, প্ৰিয়ংকা, সীমা সকলোৱে বিছনাত বহি কথাৰ মহলা মাৰিছো। ৰভাৰ তলত মানুহবোৰে উচ্চস্বৰে কথা পাতিছে। সময়বোৰ ব্যস্ততাৰে অতিবাহিত হ'ল। ৰাতিপুৱা পলমকৈ সাৰ পালো। ইতিমধ্যে ৰিমজিমে গা ধুই আহি খিৰিকীখন খুলি দিয়াত জবা ফুলৰ সুগন্ধ নাকত লাগিলহি। ৰাতিপুৱাই তেনে এটা সুগন্ধ নাকত লগাত মনটো ভাল লাগিল। বিছনাৰ পৰা উঠি মুখ-হাত ধুই চাহ একাপ খালো। তাৰ পাছত গাটো ধুই ফ্ৰেচ হৈ ললো। এতিয়া বিশেষ একো কাম নাই। সেইবাবে হাত দুখনত মেহেন্দি লগাই ললো। বিয়াৰ যা-যোগাৰ চলি আছে। মাহীয়ে মাতিছে বুলি ৰিমজিমে কোৱাত মই দৌৰ মাৰিলো, মাহীৰ ওচৰলৈ।

"পংখী অলপ কিবা খাই লোৱা।" মাহীয়ে কলে। তেওঁ দৈ-চিৰা দিয়াত ব্যস্ত আছিল।

'মই নাখাওঁ' বুলি কৈ আহিব ওলাওতেই অজানিতে এজন ল'ৰাৰ চাৰ্টত মোৰ হাতত অলপ আগতে লোৱা



মেহেন্দি লাগি গ'ল। মই ঘূৰি চালো ল'ৰাজনলৈ। তেৰোঁ মোলৈ চালে। ক্ষন্তেকৰ বাবে মই মুগ্ধ হৈ পৰিলো। বাঃ কি ধুনীয়া ল'ৰা। ওখকৈ ক্ষীণ বগা বৰণৰ। ল'ৰাটোৰ চকু দুটা, নাকটো ইমান ধুনীয়া, একদম গুৱাহাটীত থকা মিনতি মাহীৰ দৰে। মই একেথৰে চাই ৰলো ল'ৰাজনৰ মুখলৈ। কোনোবা এজনৰ মাততহে বাস্তৱলৈ ঘূৰি আহিলো। দেখিলো অলপ আঁতৰত ৰিমজিমহঁতে মোলৈ চাই হাঁহিছে। সিহঁতে হয়তো মোৰ অৱস্থাটো দেখিলে। মই আৰু একো কব নোৱাৰিলো। লাজতে দৌৰ মাৰিলো ৰিমিহঁতৰ ওচৰলৈ। সিহঁতে জোকালে মোক।

দুপৰীয়া মই, ৰিমি, সীমা আমি তিনিও আৰতি বাইদেউৰ লগত বহি আছো। মই আৰু সীমা অৱশ্যে উপহাৰৰ তালিকা লিখাত ব্যস্ত। কিছুসময়ৰ পিছত ল'ৰাজনে দুজনমান বন্ধুৰ সৈতে আহি আমি বহি থকা কোঠাটোত চকীত বহিল। মই অলপ নাৰ্ভাচ হলো। ইতিমধ্যে ল'ৰাজনক মোৰ কিবা এটা ভাল লাগি গৈছিল। চিনাকী হবলৈ মই মনে মনে ব্যাকুল হৈ আছো।

বুল এতিয়া মোৰ চাৰ্টটো কোনে ধুই দিব। মোৰটো ঘৰত কাপোৰ ধুই দিয়া কোনো নাই। ল'ৰাজনে আমাক শুনাই লগৰজনক কবলৈ ধৰিছে।

কথাষাৰ যে মোকেই কৈছে বুজিব পাৰি সীমাই কলে 'কি অ' তোমাৰ ঘৰত মা নাই নেকি? সীমাৰ প্ৰত্যুত্তৰত মোৰ যে কিমান ভাল লাগিছিল আমি আটায়ে জাউৰি মাৰি হাঁহিলো। আমাৰ মাজত কিছুসময় ৰগৰ চলিল। মই অৱশ্যে তলমুৰাকৈয়ে থাকিলো। কিছুসময়ৰ পিছত মিনতি মাহীয়ে মতাত ল'ৰাজন তাৰ পৰা উঠি গ'ল।

"পংখীমা, পংখীমা" আইতাই সিটো কোঠাৰ পৰা চিঞৰি মাতিলে।

"অ' আইতা" মই সহাৰি দিলো।

আহচোন পংখী - আইতাই তালৈ মাতিলে। দৌৰ মাৰিলো আইতাৰ ওচৰলৈ। "ৰবা" তুমি বৰ দুষ্ট হৈছা। তোমাৰ এই উৎপাতৰ কথা উন্টিক কৈ দিম। আইতাই কৃত্ৰিম ধমক দিলে, মাক মই খুব ভয় কৰো। মাৰ অনুশাসনক কোনো দিনে উলংঘা কৰা নাই। কিন্তু আইতাই বাৰু মাক কি কয়? এয়া কি? ল'ৰাজন দেখোন আইতা বহি থকা পালেংখনৰ বিপৰীতে থকা পালেংখনত বহি আছে। মই বুজি পালো। সকলো তাৰমানে এইজনহে ............।

আহা পংখীমা, মই তোমাক কনৰ লগত চিনাকী কৰি দিওঁ। তুমি পাহৰিছাই নিশ্চয়। মোৰ বোধেৰে চাগৈ চিনিও পোৱা নাই নহয় জানো? আইতাই হাঁহি মাৰি কলে।

'কণ ..............।' মই বিস্ময়েৰে তালৈ চালো সি পালেংখনৰ ৰেলিঙত আওজি হাঁহি আছে।

'তোমাৰ গুৱাহাটীত থকা মিনতি মাহীৰ একমাত্ৰ ল'ৰা। নাম ৰাজদীপ হাজৰিকা গুৱাহাটীৰ কটন কলেজত ডিগ্ৰী পঢ়ি আছে।' আইতাই কলে।

মই কি কৰিলো এইবোৰ। লাজতে কি কৰো কি নকৰো লাগিছিল।

ৰাজদীপে কিন্তু পৰিস্থিতিটো সহজ কৰি মোক ওচৰলৈ মাতিছিল আৰু পিঠিত এটা চাপৰ মাৰি কৈছিল 'ইমান ডাঙৰ হ'লা। লগতে বৰ দুষ্টও হৈছা নহয়?'

তুমিওঁটো খুব দুষ্ট। তুমি জানিছিলাই যদি কিয় কোৱা নাছিলা?" মই কলো।

'ক'তা মইতো নাজানো তুমি ভন্টি জেঠীৰ ছোৱালী বুলি।' সি কলে।

'অ' তেনেহ'লে তুমিও .......... ।' মই কৈ খিলখিলাই হাঁহি দিলো। দুয়োজনে পাৰোমানে হাঁহিলো আৰু পাহৰি গ'লো যে সেইজন ল'ৰাই মোৰ ভাল লাগি আহিছিল।

◆ ◆ ◆

# নিয়তিৰ পৰিহাস

দিলীপ কলি
স্নাতক,২য় বৰ্ষ (কলা



পুহ মাহ। দিবাকৰে নিজৰ আভা
আলোকিত কৰিছে ধৰিত্ৰী। চৰাই-চিৰিকতি
সুললিত কণ্ঠত প্ৰাণ পাই উঠিছে প্ৰকৃতিৰাণী
মলয়াছাটিয়েও পুৱাৰ শান্ত পৰিবেশটোত ৰং
চৰাইছে।

কুকুৰাজনীৰ ডাকত সাৰ পালে হৰকান্তই
এঙামুৰি দি বাহিৰলৈ ওলাই আহিল। পুহ মাহ
হাড় কপোৱা শীতক নেওঁচিও পলাশ-পাপৰিহঁত
সেইদিনা সোনকালে শুই উঠিছে।

সেইদিনা শুক্ৰবাৰ। পুহ মাহৰ শেষৰ দিন। পলাশ পাপৰিৰ আনন্দৰৰ সীমা নাই। কিয়নো সিহঁতৰ দেউতাক বজাৰলৈ যাব। উৰুকাৰ বজাৰ। সিহঁতে ভাবিছে বছৰৰ বিহুটিত দেউতাকে নিশ্চয় সিহঁতলৈ নতুন কাপোৰৰ লগতে বিভিন্ন খাদ্যসম্ভাৰ যুগুতাব।

"দেউতা মোলৈ নতুন চোলা আনিবা কিন্তু।" মেজিৰ কামত ব্যস্ত থকা পলাশে চিঞৰি কয়।

"মোৰ বাবেওঁ ফ্ৰক এটা আনিবা দেউতা।" পাপৰিয়ে কয়। কিন্তু কি হব! দুবিঘা মাটিৰে পৰিয়ালটো হৰকান্তই জানো এইবোৰ কিনিব পাৰিব। হৰকান্তৰ মৃতপ্ৰায় মাকে পিৰালিত বহি চকুলো টুকিছে পলাশ-পাপৰিৰ কথা শুনি। হৰকান্তৰ মনৰ অৱস্থা বুজি ঘৈণীয়েক পদুমীয়ে তাইৰ শেষ সম্পদ ছাগলীজনীকে বিক্ৰী কৰি পোনাকণহঁতলৈ কিবাকিবি অনাৰ লগতে মাকলৈও বগা মেখেলা এখন কৈছে। তেতিয়া বুঢ়ীয়ে কলে - "কিহৰ বিহু, নাতি আৰু নাতিনীৰ হলেই মই সুখী। মাথো পাণখিনি হলে বেছিকৈ আনিবি। লাগিব নহয়, বিহুৰ দিনা দুই-চাৰিজন আত্মীয়-কুটুম্ব আহিবতো।" হৰকান্তই শেষত পদুমীৰ কথা শুনিয়েই ছাগলীজনী সহিতে পলাশক লৈ বজাৰলৈ ওলাল।

ব্যস্ত ৰাজপথ। ৰাস্তাৰ মাজেৰে বিভিন্ন গাড়ী মটৰ। কাষে কাষে মানুহৰ লানি নিচিগা আহ-যাহ। হৰকান্তই ছাগলীজনী টানি লৈ গৈ আছে। কাষে কাষে পলাশ। হৰকান্তৰ মন চিন্তামগ্ন। বিহুৰ দিনাখন প্ৰত্যেককে এসাজ নতুন কাপোৰ দিব পাৰিলে ভাল লাগিলহেতেন। ছাগলীজনী বিক্ৰী কৰি কিমান বা টকা পাওঁ। মাছ-মাংসও অলপ নিব লাগিব। এইবোৰ কথা ভাবিয়েই হৰকান্ত গৈ আছে বজাৰ অভিমুখে। উৰুকাৰ বজাৰৰ হাই-উৰুমি ক্ৰমাৎ স্পষ্ট হৈ আহিছে। পলাশে আনন্দতে গুণগুনাই গৈছে।

হঠাত তীব্ৰবেগী ট্ৰাক এখনে হৰকান্তৰ গাত খুন্দা মাৰি দিলে। লগে লগে হৰকান্ত সমন্বিতে ছাগলীৰ প্ৰাণবায়ু উৰি গ'ল। ৰাস্তাৰ কাষত বৈ গ'ল অকলশৰে পলাশ। লগে লগে জুমে জুমে মানুহ আহি বেঢ়ি ধৰিলে হৰকান্তৰ প্ৰাণহীন ৰক্তাক্ত দেহ। উৰুকাৰ সকলো আশা ত্যাগ কৰি পলাশে মাথো কান্দিছে দেউতা ............ দেউতা.......... দেউতা।। ◆◆



# জীৱন সংগ্ৰাম

ৰিংকুমনি শৰ্মা
প্ৰাক্তন ছাত্ৰ

যোদ্ধাৰ বেশত মই
দুহাতত ঢাল তৰোৱাল
ভাৰাক্ৰান্ত শৰীৰ
অসীম মনোবল
আগবাঢ়ি গৈ আছো
অনিশ্চিত এটি লক্ষ্যলৈ।
মোৰ কৱচহীন শৰীৰ
সময়ৰ নিষ্ঠুৰ আঘাতত
থকাসৰকা, জৰ্জৰীত
তথাপি আগবাঢ়িছো
জীৱন সংগ্ৰামত
জয়ৰ আশাৰে
হেজাৰ পৰাজয়ৰ পাছতো।
ক্লান্ত হোৱা শৰীৰ
পুণৰ স্ফীত হৈ উঠে
মন পদুলিৰ কাচিয়লী কিৰণত
আশাৰ হেন্দোলনীত। ●

# মহান কৃষক তুমি পথৰুঘাটৰ

হিৰণ্য নাথ
স্নাতক প্ৰথম বাৰ্ষিক

হে মহান শ্ৰমিক, তুমি কৃষক
তোমাৰ এন্ধাৰৰ মাজত থকা পোহৰে
পথৰুঘাটৰ মুখ উজলালে
হে মহান শ্ৰমিক, তুমি অতিকে সাহসী
নাই তোমাৰ অকণো দূৰ্বল
ৰাইজৰ হকে যুজ দি, ইংৰাজক খেদি
অকাতৰে কৰিলা প্ৰাণ বলি
তোমাৰ মহানতাই পথৰুঘাটত গঢ়িলে
নৱ প্ৰজন্মৰ সাহসৰ স্থল।
সকলোকে একগোট কৰি
পথৰুঘাটত পাতিলা মেল
নিদিও আমি মাটিৰ খাজনা
উদ্বৃত্ব মূল্য তাৰ। ●



# প্ৰতীক্ষা

গিৰিজা বৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক

শৰতৰ নিয়ৰ সনা
লাজুকী শেৱালী পাহিত
দেখিছিলো তোমাৰ ছবি।
আপোন বিভোৰ হৈ
আছিলো তোমাৰ কথাকে ভাবি
গোন্ধত বিয়পি পৰিছিল
তোমাৰ হাঁহি ।।

অযুত আশাই
অবুজ ভাষাই
জগালে কামনাৰ মধু শিহৰণ
পল অনুপল কৰি
হ'ল মধুক্ষণ।
অপেক্ষাৰ কিযে বিষণ্ণতা
অতৃপ্ত কামনাৰে জীৱন ভৰা ।।

হৃদয়ত সাচি থোৱা
বুকুৰ মৰম
আজীৱন পাওঁ যেন তোমাৰ লগন
চিন্তা ক্লিষ্ট সেয়েহে আজি
নিজান নিশা অকলে বহি
তোমালৈ ক্ষণ গণি
বুকু মোৰ উঠে শিহৰি ।। •

# সময়

পৰেশ ভূঞা
স্নাতক দ্বিতীয় বাৰ্ষিক

আজি সময়বোৰ
বৰ খৰখেদাকৈ দৌৰিছে যেন পাওঁ,
সন্ধ্যা দেখোন লাগি ভাগিবৰে হ'ল।
এতিয়া ব'লা ——
সময়ক এদিন ক'ম
অকণমান লাহে লাহে খোজ দিবলৈ।
সিদিনা কথা পাতিম
বহুত কথা ...............
পিছে সুখৰ নহয়
দুখৰ কথা।
কাৰণ বেদনা সিক্ত সময়বোৰ হেনো
নাযায়, নুপুৱায়। •







# আবেগ

গীতাঞ্জলী চহৰীয়া
স্নাতক প্ৰথম বাৰ্ষিক

দুখৰ নিশাবোৰ বৰ নিঃশব্দে আহে
যেন এখিলা হালধীয়া পাত
সন্তৰ্পনে সৰি পৰে;
মায়াভৰা জোনাকী নিশাত ।।
সৰি পৰে এটি,
কক্ষচ্যুত পপীয়া তৰা
বুকুৰ জুইকুৰাও
উমি উমি জ্বলি উঠে
হিয়াৰ আবেগ উপচাই ।।
দুখৰ নিশা উজাগৰিতে যায়
মাথো বাৰে বাৰে স্মৃতিয়ে বিনাই।
সপোন যেতিয়া বাস্তৱ হয়;
দুখ যেতিয়া দুৰ্লভ হয়;
উলাহতে বিলীন কৰি দিও
মৰম, চেনেহ, ভালপোৱা ।।
কিন্তু,
বাঙ্ময়তাৰ উচ্ছল মায়াবী সান্নিধ্যই,
হিয়া বিদাৰি কৈ যায় ;
মোৰ চৌপাশে যেন,
এক অসীম শূণ্যতা ।।
মাথো আছে মোৰ জীৱনত
আবেগ অনুভূতিৰ কল্লোল —। •

# সুৱাস

গীতুমা কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

তেতিয়া মই সৰু আছিলো।
দেখিছিলো চাৰিওফালে
ৰঙীন আশাৰ সম্ভাৰ।।
পাইছিলো চাৰিওফালে
বকুল, শেৱালীৰ
সুৱাস।।
এতিয়া মই ডাঙৰ হৈছো।
বুজিছো !
মুখা পিন্ধা ভদ্ৰলোকবোৰ
পিয়াপি দিছে চোন।।
সেয়ে নেকি পাওঁ এতিয়া
মই কেৱল
কেচা তেজৰ গোন্ধ।।
বাস্তৱ !
তুমি বৰ নিষ্ঠুৰ ।। •

## তেজিমলা

সোনেশ্বৰ ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক



এতিয়া তাই অকলশৰে হৃদয় পঁজাত বাস কৰে
কেতিয়াবা মোৰ
কেতিয়াবা তোমাৰ
আৰু
কেতিয়াবা প্ৰকৃতিৰ,
মুঠতে সকলোৰে হৃদয় পঁজা পোহৰাই ৰাখে তাই
পুৱাৰ বৰষুণত তিতিবুৰি কদমৰ তলত জিৰাই।

চিকমিক ৰ'দত তাই চুলিটাৰি মেলি দিলেই
নদীবোৰ গাভৰু হয়
হৃদয়ৰ মনটো লৈ কেতিয়াবা
জোনাকত থাকে শুই,
মায়াবী ৰিহাৰে সুগন্ধি শৰীৰ ঢাকি
আকাশৰ সকলো তৰাৰ সতে
সাতুৰি নাদুৰী তাই
সৰোবৰত গা ধোৱে।

আৰু,
জলমল গহনাৰে ৰানী যেন কইনা সাজি
হোমৰ গুৰিত বহে
এনেকৈয়ে তাই অকলশৰে
সকলোৰে হৃদয় পঁজাত বাস কৰে
জনমে জনমে তেজিমলা হৈ
এনেকৈয়ে আপোন মনে ।। ●

## জীৱনৰ অৰ্থ

আব্দুল কাছি
স্নাতক প্ৰথম বাৰ্ষি

কেনেকৈ জানিবা বন্ধু কামৰ সোৱাদ কি
যদি তুমি কাম বুলিলেই
ভীত সন্ত্ৰস্ত হৈ উঠা !
জীৱনৰ সংজ্ঞা জানো বিচাৰি পাবা
যদি তুমি দেহৰ ভিতৰত
প্ৰাণটো লৈ জীয়াই থকা।
তুমি মৰিবও নাজানিব পৰা
যদি তুমি কান্দি কান্দি
মৃত্যু ভিক্ষা কৰা !
তেন্তে —
জীৱননো কি?
উশাহ লৈ জীয়াই থকাই
জানো জীৱন !
মৃত্যুক জয় কৰিব পাৰিলেই বুজিবা
জীৱনৰ অৰ্থ কি? ●



## অজ্ঞেয়

শৈলেন্দ্ৰ কুমাৰ নাথ
স্নাতক তৃতীয় বাৰ্ষিক

তাই কোঠাটোত সোমালে এজাক বতাহ বলে
প্ৰেমৰ বতাহ
ঠেলি হেঁচুকি লৈ আহে ৰঙীন কাপোৰেৰে
মেৰিওৱা কিছুমান টোপোলা; হৃদয়ৰ
আহিয়েই তাইৰ হৃদয়খন জোকাৰি দিয়ে
ধূলি উৰাদি উৰি যায়
বেদনা, হতাশা আৰু শুকান আশাবোৰ
তাই আহিলে নিয়ৰ সৰাদি সৰিব ধৰে ঘামবোৰ
ঘামবোৰে ৰূপ লয় আকুলতালৈ
বুকুৰে বুকুৰ স্পৰ্শ বিচাৰি যায়
মাজে মাজে তাই মোৰ শোৱা কোঠালিলৈও আহে
কিছু সময় বহি গুচি যায়
চকুত চকু ৰাখি কিবাকিবি কয়
মই বুজি নাপাও
তথাপি ভাল লাগে
তাই আহিলে হৃদয়খন সুৰক্ষিত যেন লাগে
দ্বিধাহীনভাৱে অৰ্পন কৰো তাইৰ ওচৰত
দুহাত পাতি পুতলা চোৱাদি চায়
মৰম কৰে সেওঁতা ফালি উৰি থকা চুলিবোৰ
ক'ব নোৱাৰো তাই কোন
দৌৰি দৌৰি পলাই যায়
দুহাতত মোৰ হৃদয়ৰ টোপোলাটো। ●



## এটি সূৰ্যৰ অপেক্ষাত

হেমন্ত বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক

মোক এটি নতুন সূৰ্য লাগে
ৰঙা সূৰ্য,
টিকটিকিয়া ৰঙা সূৰ্য।
যাৰ উত্তাপত
মুখাধাৰীৰ মুখা গলিব,
সকলোৱে সিহঁতৰ স্বৰূপ চিনিব,
শান্তি প্ৰগতিৰ ৰাজত্ব হ'ব !
মোক এটি নতুন সূৰ্য লাগে
যাৰ হেঙুলী ৰহনে
স্বতঃস্ফুট ৰণহুংকাৰ তুলিব।
বৰ বৰ মানুহৰ পোচাকী সভ্যতাক
নিমিষতে ভষ্মীভূত কৰিব !
মোক এটি নতুন সূৰ্য লাগে
যা ৰ তমসা বিনাশী ৰশ্মিয়ে
শোষণকাৰীৰ তেজবোৰ শুহিব,
তেজৰঙা আলোকে
সমাজত তুলিব শংখধ্বনি
এক প্ৰস্ফুটিত সমাজৰ। ●

# অপেক্ষা

জ্যোতিষ কুমাৰ নাথ
স্নাতক প্ৰথম বাৰ্ষিক

বৰযুণজাক তীব্ৰ বেগে পাৰ হৈ গ'ল।
পাতল বতাহ এছাতি
পাছে পাছে আহিব ধৰিছে
লাহে লাহে স্বপ্নৰ আকাশত
পূৰ্ণ জ্যোৎস্না
ডাৱৰ ফাটি তাৰ আৰে আৰে
তৰালিৰ লুকা ভাকু।
বুকুৰেদি নিগৰি আহে
এজাক হুমুনিয়াহ
এখনি চিনাকী মুখৰ অপেক্ষাত ...
চৰাইবোৰে কাকলিয়াই
কৰবাত ফেঁচাৰ উৰুলি
উপহাস কৰে মোৰ দুৰ্ভাগ্যক।
মই বিচাৰো মোৰ অনুৰ্বৰ হিয়াত
অপেক্ষাকৃত হৃদয়ৰ স্পন্দন
এটি প্ৰাণৰ আবেগ।
নাহিব জানো মোৰ ওচৰলৈ
সেই চিনাকী মুখখনি ??
মনোযান্ত্ৰণাৰ অৱসাদ দূৰ কৰি
মঙ্গল উৰুলি বজাই
থাপনা কৰো তোমাৰ প্ৰতিমা
হৃদয় মন্দিৰত ।। ●



# তুমি

পিংকু চহৰীয়া
স্নাতক প্ৰথম বাৰ্ষিক

তোমাক নেদেখো মোৰ পদুলিত,
নেদেখো চকামকা আন্ধাৰত
জোনাকী পৰুৱাৰ মাজত !
নেদেখো তোমাক তৰাৰ জলমল
নীল আকাশৰ বুকুত
আৰু নেদেখো সাগৰৰ প্ৰচণ্ড জোৱাৰত।
তোমাক সপোনতো নেদেখো,
নেদেখো সুৰাৰ ৰাগীত মতলীয়া হৈ
কোনো চহৰৰ নিঃচিদ্ৰ গলিত !
নতুবা সু-উচ্চ পাহাৰ বগোৱা দলটিত !!
নেদেখো তোমাক উপন্যাসৰ পৃষ্ঠাত,
নেদেখো বোলছবিৰ কাহিনীৰ মাজত,
আৰু নেদেখো গীত - নাটৰ
কোনো ৰঙ্গমঞ্চত !
তোমাক কেৱল দেখিছো মোৰ হৃদয়ত।
অনুভূতিৰ আলোড়নেৰে শুই আছা,
মাথোন মোৰ এধানমান হৃদয়ত ।। ●



# বৰদৈচিলা

জয়ন্ত কুমাৰ হাজৰিকা
মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ

সুদূৰ অজানা দেশৰ পৰা
দূৰ দিগন্ত ব্যাপী অহা
চঞ্চলা চপলা
গোসানী জনীয়ে
বতৰা আনিলে
'এয়া বসন্তৰ আগমন'।
তাইৰ সেউজ বোলোৱা দুহাতেৰে
ধৰাত চটিয়াই গ'ল সেউজী ৰহন
জগত হৈ পৰিল বিনন্দীয়া।
প্ৰকৃতিৰ এই নতুন জনমত
আশাৰ সঞ্চাৰ হ'ল,
সহস্ৰজনৰ হৃদয়ত
মানুহ হোৱাৰ আৰু
মানুহ হিচাবে জীয়াই থকাৰ। ●

# কবিতা

মৌচুমী ডেকা
স্নাতক প্ৰথম বাৰ্ষিক

বাৰে বাৰে আহিও হেৰাই যায়
মোৰ কলিজাত উদ্বেলিত
কবিতাৰ সেই পংক্তিটো
শুকাই যায় মোৰ চকুলো
আৰু কলমৰ ছিয়াঁহী
আহত সময়ৰ ধৰ্ষিতা শব্দবোৰ
তোমাৰ কঠোৰতাত
বাৰে বাৰে আহিও হেৰাই যায়
কবিতাৰ সেই পংক্তিটো। ●

# মন

টুলু দেৱী
স্নাতক দ্বিতীয় বাৰ্ষিক

নীল আকাশত এটুকুৰা
বগা ডাৱৰ ঘূৰি ফুৰে
বেলিটোৰ লগত,
সেউজীয়া ধাননি পথাৰে
নাচি বাগি থাকে।
মলয়াৰ মৃদু ঢৌ
গা-মন জুৰ কৰে,
কবিৰ কবিতাত
ভাষাৰ শিহৰণ জাগে।
কিমান যে আনন্দ
লাগে,
মোৰ মন প্ৰাণত শিহৰণ
জাগে,
ইয়াকে কিজানি মন
বোলে। ●



## মানুহ

জয়ন্ত শইকীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক

নাৰীৰ গৰ্ভত জন্ম হোৱা
মানুহেই আনে মানুহৰ মৃত্যু
নাৰীৰ গৰ্ভত জন্ম হোৱা
মানুহেই মানুহৰ কাৰণে
আনিব লাগিব শান্তি সমৃদ্ধি
নাৰীৰ গৰ্ভত জন্ম হোৱা মানুহেই
বাধা দিব লাগিব
হিৰোচিমা নাগাচাকিৰ দৰে
ধ্বংশ যজ্ঞ, এঘাৰ চেপ্তেম্বৰৰ দৰে
অভিশপ্ত দিন, কোনোৱে পাহাৰৰ
আঁৰৰ পৰা কৰা যুদ্ধ,
কোনোৱে নিশা মাৰণাস্ত্ৰ লৈ
নিৰপৰাধী লোকক কৰা
হত্যা, অপহৰণ।
নাৰীৰ গৰ্ভত জন্ম হোৱা
মানুহৰ সন্তানবোৰক মানুহৰ
কেঁচাতেজ আৰু ক'লা ধোৱাৰ
গোন্ধৰ পৰিবৰ্তে ল'ব দিব লাগিব
বকুল - শেৱালিৰগোন্ধ।
সিহঁতক শুনিব দিব লাগিব
নামঘৰ, গীৰ্জা, মছজিদ আদিৰ পৰা
বতাহত উটি অহা একে একেজন
ভগবান, গদ, আল্লাৰ নাম।
গঢ়িব লাগিব সিহঁতক
মানুহৰ দৰে। ●



## সান্নিধ্য বিচাৰি

প্ৰণিতা নাথ
স্নাতক দ্বিতীয় বাৰ্ষিক

জীৱন নাটৰ অভিনয় দেখি
মাজে মাজে মোৰ সত্বা থমকি ৰয়
বৃথা কল্পনাৰে আবৃত এই
পংকিলময় ধৰাত
কেতিয়াবা হেৰুৱাই পেলাও
মোৰ যাযাবৰী ঠিকনা।
হৃদয়ত ৰক্ত জবাৰে পতা
পূজা মণ্ডপত
সাক্ষী স্বৰূপে ৰৈ যায় মাথো
অশ্ৰুসিক্ত দুগালত
বৰ্ষাৰ প্লাবন
মানৱতা বিহীন অভিশপ্ত
এই মৰু প্ৰান্তত
সান্নিধ্য পামনে কেতিয়াবা
এই নাটৰ মূল সূত্ৰধাৰ জনক ??? ●



## মালিক

(চৈয়দ আব্দুল মালিকৰ স্মৃতিত)

আনোৱাৰা বেগম
উ ঃ মা ঃ প্ৰথম বাৰ্ষিক

অসমীয়া দেহ আৰু মনৰ মালিক
অসমৰ বিশাল ঐতিহ্যৰ মালিক
অসমীয়া ভাষা সাহিত্যৰ মালিক
অসমীয়া কৃষ্টি সংস্কৃতিৰ মালিক।
এক অৰ্থবহ অভিজ্ঞতাৰ মালিক
বৈচিত্ৰ্যময় জীৱন বৃত্তৰ মালিক
স্বভাৱ সুলভ সৰলতা
আৰু হাস্য ব্যঙ্গৰ মালিক
হে মোৰ প্ৰিয় কবি "চৈয়দ আব্দুল মালিক"।
মৰম লগা সৰল চেনেহ কোমল মুখখনিৰে
চিৰসেউজ মনৰ মালিক
যৌৱন যৌৱন লগা দেহৰ মালিক
অবিস্মৰণীয় এক কিংবদন্তিৰ মালিক
হে মোৰ প্ৰিয় কবি "চৈয়দ আব্দুল মালিক"।
অসমৰ আকাশে বতাহে
গাঁৱে ভূঞেঁ, চহৰে নগৰে
ৰজন জনাই থকা
যেন "অসমীয়া" নামৰ
এক অনুষ্ঠানৰো মালিক
কিন্তু ............. ?
হঠাৎ বুকুত বজ্ৰপাত পৰি
বাজি উঠিল এটি অনাকাংক্ষিত খবৰ
সকলোৰে তথা মোৰ মালিকৰ "ইন্তেকাল"। ●



## দহন

মন্টু কুমাৰ নাথ
স্নাতক দ্বিতীয় বাৰ্ষিক

জ্বলি থকা !
শান্তিৰ শলিতা গছি
নুমুৱাই দিয়ে ........
প্ৰতিশোধৰ তাড়নাই।।

প্ৰতিধ্বনিত হৈ বাজি উঠে
হিংসাৰ আৰ্তনাদ .....
দশোদিশ আৱৰি ধৰে
কলুষিত আন্ধাৰে ।।

প্ৰতিশ্ৰুতিৰ বাক্যবানেৰে
উজলাই তুলিব খোজে
যন্ত্ৰাসাধীন জননীৰ
অশান্ত আকাশ ।। ●



# তুমি আহিলে

নাজমা আৰা ছুলতানা
স্নাতক তৃতীয় বাৰ্ষিক

তুমি আহিলে তাইৰ
ৰাজহাড় ভাগিব
তাই এতিয়া সেউজীয়া
জোলোঙাত এমুঠি আশা।
নাহিলে তুমি
হালি জালি নাচিব তাই
মাতিব হাত বাউলি দি
তুমি আহিলে
হৃদয়ত জ্বলিব জুই
আহিব মৰা আউসীৰ
ঘোপমৰা আন্ধাৰ
বেলিটিও লুকাব অস্তাচালত
হৃদয় জ্বলাই
তুমিও যাবাগৈ গুচি। ●

# আধৰুৱা গীত

বৰ্ণালী নাথ
স্নাতক দ্বিতীয় বাৰ্ষিক

তুমিয়েই ৰচিছিলা নেকি সেই আধৰুৱা গীতটি,
যিটি গীতে মোৰ হৃদয়ত
আজিও ঝংকাৰ তোলে?

তুমিয়েই কৰিছিলা নেকি সেই অংকটি,
যিটি অংক আজিও হৈ থাকিল
এটি নিমিলা অংক?
তুমিয়েই আঁকিছিলা নেকি সেইখন ছবি,
যিখনি আজিও অসম্পূৰ্ণ
এখনি আধা আঁকা ছবি?
তুমিয়েই ফুলাইছিলা নেকি সেই পাহ ফুল,
যিপাহ অকালতে মৰহি গ'ল? ●



# অপেক্ষা

মনীষা কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

কত আশা কত যে কল্পনা
আছো বুকুত সাৰতি
তোমাৰ অপেক্ষাত।

তোমাৰ বাবেই মাথো
পঢ়িলো পৃথিৱীৰ কথা
বুজিলো কবিতাৰ ভাষা।

সপোনৰ সতে উমলি
কিমান থাকিম জীয়াই
তোমাৰ অবিহনে।

